Unit - I

# ১৮৫৭ চনৰ চিপাহী বিদ্রোহৰ পিছত বৃটিছৰ প্ৰশাসনিক পৰিৰ্বতনবোৰ

# (British Administrative changes after the revolt of 1857)

১৭৫৭ চনত পলাশী যুদ্ধত ইষ্ট-ই-ইণ্ডিয়া কোম্পানীয়ে বংগৰ নবাৱ চিৰাজ-উদ-দৌল্লাক পৰাজিত কৰি পৰোক্ষভাৱে বংগদেশৰ শাসন ক্ষেত্ৰত হস্তক্ষেপ কৰিছিল আৰু ১৭৬৪ চনত বক্সাৰ যুদ্ধত বিজয়ী হোৱাৰ লগে লগে ইষ্ট-ইণ্ডিয়া কোম্পানীৰ ভাৰত বিজয়ৰ পথ সুগম হৈ পৰিছিল। ক্ৰমাগতভাৱে কোম্পানীৰ প্ৰশাসনিক ক্ষেত্ৰ সম্প্ৰসাৰণ হোৱাৰ লগে লগে আৰু কোম্পানীৰ আধিপত্য ভাৰতৰ সুদৃঢ় হোৱাৰ পিছত কোম্পানীৰ কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰাৰ বাবে ইংলেণ্ডৰ গৃহ চৰকাৰে ১৭৭২ চনত ৰেগুলেটিং আইন, ১৭৮৪ চনত পিটৰ ভাৰত শাসন আই আইনবোৰে কোম্পানীৰ অধীনস্থ ৰাজ্যবোৰৰ আৰু তাৰ প্ৰজাৰ কল্যাণ সাধন কৰাৰ বিপৰীতে কোম্পানীকহে ৰাজনৈতিক, অৰ্থনৈতিক, প্ৰশাসনিক আদি দিশত শক্তিশালী কৰিছিল। ১৭৭২ চনৰ নিয়ন্ত্ৰণ আইন (ৰেগুলেটিং আইন) ৰ দ্বাৰা নিয়োগৰ কৰা গভৰ্ণৰ জেনেৰেলসকলে ভাৰতীয় প্ৰজাৰ কল্যাণৰ পৰিৱৰ্তে সাম্ৰাজ্যবাদী মনোভাৱেৰে ভাৰতীয় ৰাজ্যবোৰ দখল কৰি প্ৰজাক শোষণ কৰাৰহে আঁচনি লৈছিল আৰু ইয়াৰ ফলশ্ৰুতিয়ে আছিল চিপাহী বিদ্ৰোহ। চিপাহী বিদ্ৰোহে

বৃটিছ চৰকাৰক প্ৰথমবাৰৰ বাবে ভাৰতত শোষণ আৰু নিষ্পেষণেৰে শাসন কৰা সহজ নহয় বুলি সকীয়াই দিছিল। সেয়েহে ইংলেণ্ডৰ গৃহ চৰকাৰে চিপাহী বিদ্ৰোহৰ পিছতে লৰ্ড কেনিঙক ভাৰতত ভাইচৰয় নিয়োগ কৰি কেবাখনো আইন বলবৎ কৰি সাংবিধানিক, সামাজিক, অৰ্থনৈতিক ধৰ্মীয় সংস্কাৰ কৰি ভাৰতবাসীক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰিছিল। ভাৰতৰ সৰ্বস্তৰৰ প্ৰজাই ইংৰাজৰ প্ৰতি অসন্তুষ্ট হোৱাৰ কাৰণবোৰ আৰু সেইবোৰ সমস্যাৰ পৰা নিষ্কৃতি পোৱাৰ বাবে বৃটিছ চৰকাৰে বিভিন্ন আইন আৰু সংস্কাৰ সাধন কৰিবলৈ চেষ্টা কৰিছিল। তাক তলত আলোচনা কৰা হ'ল—

ডেলহাউচীয়ে অনুসৰণ কৰা অধিগ্ৰহণ নীতিয়ে ভাৰতীয় ৰাজন্যবৰ্গক ক্ষোভিত কৰিছিল। ডেলহাউচীয়ে প্ৰৱৰ্তন কৰা 'স্বত্ব বিলোপ নীতি' ৰ ফলত সাতাৰা, ঝান্সী, জৈতপুৰ, সম্বলপুৰ, বঘত, উদয়পুৰ, নাগপুৰ ৰাজ্য ইংৰাজ ৰাজ্যৰ অন্তৰ্ভুক্ত হৈছিল। কু-শাসনৰ অচিলা দেখুৱাইও তেওঁ অযোধ্যা দখল কৰিছিল। কৰ্ণাটক আৰু তাঞ্জোৰৰ ৰজাৰ উপাধি বাতিল কৰিছিল। পঞ্জাব, পেগু আৰু চিকিম বৃটিছ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিছিল। এনেদৰে ভাৰতীয়সকলে ইংৰাজৰ ভাৰত গ্ৰাস কৰা নীতিৰ প্ৰতি ক্ষুব্ধ হৈ পৰিছিল। মোগল সম্ৰাট বাহাদুৰ শ্বাহ জাফৰ বৃদ্ধ হোৱা বাবে ডেলহাউচীয়ে তেওঁৰ পুত্ৰ ফকিৰুদ্দিনক উত্তৰাধিকাৰী ঘোষণা কৰিছিল। কিন্তু তেওঁৰো মৃত্যু হোৱাত বৃটিছে কোনো উত্তৰাধিকাৰীকে দিল্লীৰ সিংহাসনত বহিবলৈ অনুমতি দিয়া নাছিল। এই কাৰ্যই ভাৰতীয় মুছলমানসকলক হতাশ আৰু ক্ষুব্ধ কৰিছিল।

ভাৰতীয় ৰাজ্যসমূহ দখল কৰাৰ পিছত সেইবোৰ ৰাজ্যৰ শাসন ব্যৱস্থা ইংৰাজে প্ৰত্যক্ষভাৱে নিজৰ হাতলৈ নিয়াৰ ফলত সকলো গুৰুত্বপূৰ্ণ পদ ইংৰাজসকলে দখল কৰিছিল আৰু সকলো গুৰুত্বপূৰ্ণ স্থানৰ পৰা ভাৰতীয় অভিজাত সকলক বাহিৰ কৰি দিয়া হৈছিল। সকলো সামৰিক আৰু অসামৰিক বিভাগত ভাৰতীয়সকলক নিম্ন পদবীহে অৰ্পণ কৰা হৈছিল। এই কাৰ্যই ভাৰতীয়সকলক অসন্তুষ্ট কৰিছিল। ইংৰাজসকলে ভাৰতীয়সকলক কৰা দুৰ্ব্যৱহাৰেও ভাৰতীয়ক ক্ষুব্ধ কৰিছিল। ১৮৫৩ চনৰ চাৰ্টাৰ এক্টে প্ৰশাসনত ভাৰতীয়ক নিয়োগ কৰিবলৈ দিয়া পৰামৰ্শ কোম্পানীৰ চৰকাৰে কাৰ্যকৰী নকৰাত ভাৰতীয়সকল উত্তেজিত হৈ পৰিছিল আৰু বৃটিছ দাসত্বৰ পৰা মুক্ত হোৱাৰ বিষয়ে চিন্তা কৰিছিল। ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে গ্ৰহণ কৰা ভূমি ৰাজহ পদ্ধতিয়ে ভাৰতীয়ক অসন্তুষ্ট কৰিছিল। কোম্পানীৰ বিচাৰ পদ্ধতি ভাৰতীয়সকলৰ বাবে অপ্ৰিয় আছিল। এই পদ্ধতিত ভাৰতীয়সকলতকৈ ইউৰোপীয়ানসকলেহে সুবিধা ভোগ কৰিছিল।



কোম্পানীৰ চৰকাৰে সাধন কৰা সমাজ সংস্কাৰবোৰেও ভাৰতীয় প্ৰজাক অসন্তুষ্ট কৰিছিল। সতী দাস প্ৰথা, বিধবা-বিবাহ প্ৰচলন, একে আইন আৰু শাসন ব্যৱস্থা প্ৰৱৰ্তন, শিক্ষা ব্যৱস্থাৰ প্ৰচলন, হিন্দু ধৰ্মান্তৰকৰণ আইন, খৃষ্টান ধৰ্মৰ প্ৰচলন আৰু ধৰ্মান্তৰকৰণ, ৰেল সেৱা প্ৰৱৰ্তন, টেলিগ্ৰাফ, টেলিফোন, ৰাস্তা-ঘাট নিৰ্মাণ, ভাপ ইঞ্জিন আদিয়ে ভাৰতীয় সমাজব্যৱস্থাত হস্তক্ষেপ আৰু পৰিৱৰ্তন কৰি ভাৰতীয় সমাজ পঙ্গু বা দুৰ্বল কৰা বুলি গণ্য কৰিছিল। ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে ভাৰতৰ সম্পদ শোষণ কৰি ইংলেণ্ড চহকী কৰিছিল। কোম্পানীয়ে একমাত্ৰ নিজৰ উপকাৰৰ বাবে শোষণৰ থলী হিচাপে ভাৰতক ব্যক্তিগত সম্পত্তিৰ দৰে ব্যৱহাৰ কৰিছিল কিন্তু ভাৰতৰ প্ৰজাৰ উন্নয়নৰ স্বাৰ্থত কোনো পদক্ষেপ গ্ৰহণ কৰা নাছিল। ভাৰতৰ পৰা কেঁচা সামগ্ৰী সামান্য দৰত কিনি সেইবোৰৰ সহায়ত ইংলেণ্ডত বিভিন্ন সামগ্ৰী প্ৰস্তুত কৰি উচ্চ দৰত পুনৰ ভাৰতত বিক্ৰী কৰিছিল। এনে ব্যৱস্থাই ভাৰতৰ অৰ্থনৈতিক ক্ষেত্ৰখনিত বিৰূপ প্ৰভাৱ পেলাইছিল। ইয়াৰ ফলত ভাৰতৰ ঘৰুৱা আৰু ক্ষুদ্ৰ উদ্যোগবোৰ মৃত্যু মুখত পৰিছিল আৰু তেওঁলোকে পুনৰ খেতি কৰি জীৱন নিৰ্বাহ কৰিব লগা হৈছিল। ভূমি ৰাজহৰ পৰিমাণ ক্ৰমাগতভাৱে বৃদ্ধি কৰিও ভাৰতীয় প্ৰজাক জৰুলা কৰিছিল। সেই সময়ত জমিদাৰৰ হাততে কৃষকৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছিল। ইংৰাজ কোম্পানীয়ে জমিদাৰৰ ভূমি ৰাজহৰ নামত ১৮৫৫ চনলৈ ৫০ পৰা ৮৫ শতাংশ হাৰত খাজনা আদায় কৰিছিল। গতিকে জমিদাৰসকলে ইয়াৰ ওপৰত অতিৰিক্ত ৰাজহ বা খাজনা সংগ্ৰহ কৰিবলৈ কৃষকৰ ওপৰত অত্যাচাৰ চলাইছিল।

বহুবছৰ আগৰ পৰা বিভিন্ন কাৰণত ভাৰতীয় চিপাহীবোৰ কোম্পানীৰ প্ৰতি অসন্তুষ্ট হৈ পৰিছিল। প্ৰথম এংলো আফগান যুদ্ধত অভেদ্য বুলি পৰিচিত ইংৰাজ

বাহিনী পৰাজয় হোৱাত তাৰ বাবে ভাৰতীয় সৈনিকক দোষাৰোপ কৰিছিল। ভাৰতীয় সৈনিকক ওপৰঞ্চি ভাট্টা নিদিয়াকৈ ৰাজ্যৰ যিকোনো অংশত নিয়োগ কৰিছিল। সৈনিকসকলে পূৰ্বৰ পৰা লাভ কৰি অহা জাইগীৰ আৰু বিভিন্ন পুৰস্কাৰবোৰ বৃটিছে বন্ধ কৰি দিছিল। ১৮২৪ চনত বেৰেকপুৰত ভাৰতীয় চিপাহীয়ে ব্ৰহ্মদেশলৈ যাবলৈ অস্বীকাৰ কৰাত কোম্পানীৰ চৰকাৰে সেই বাহিনীটো ভংগ কৰি দিছিল. যিসময়ত বেঙ্গল ৰেজিমেণ্ট সিন্ধুলৈ যাবলৈ অস্বীকাৰ কৰাত তেওঁলোকক অতিৰিক্ত ভাট্টা দিবলৈ বাধ্য হৈছিল। ভাৰতীয় আৰু ইউৰোপীয়ান বাহিনীৰ মাজত থকা সংখ্যাৰ অসমতাইও ভাৰতীয় বাহিনীৰ মাজত ইংৰাজৰ প্ৰতি বিদ্ৰোহী কাৰ্য সম্পাদন কৰাত উৎসাহ যোগাইছিল। ১৮৫৬ চনত ২,৩৩,০০০ ভাৰতীয় চিপাহীৰ বিপৰীতে বৃটিছ সৈনিক আছিল ৪৫,৩২২ জন। তাৰোপৰি কিছুমান বৃটিছ সৈনিকক বাছিয়া আৰু পাৰ্চিয়াৰ বিৰুদ্ধে যুজিবলৈ ক্ৰিমিয়ালৈ পঠাইছিল। ইয়ে ভাৰতীয় চিপাহীক ইংৰাজৰ বিৰুদ্ধে বিদ্ৰোহৰ প্ৰস্তুতিত অৰিহণা যোগাইছিল। অৱশেষত বন্দুকত ব্যৱহাৰ কৰা কাৰ্টিজৰ ব্যৱহাৰে ভাৰতীয় সৈন্যবাহিনীক ক্ষুব্ধ কৰিছিল। বন্দুক ব্যৱহাৰ কৰা সময়ত কাৰ্টিজটো মুখেৰে কামুৰি ধৰিব লাগিছিল। প্ৰচাৰ কৰা হৈছিল যে কাৰ্টিজ গৰু আৰু গাহৰিৰ চৰ্বিৰে তৈয়াৰী। গতিকে ভাৰতীয় বাহিনীৰ ধৰ্মীয় পবিত্ৰতা ধ্বংস কৰা এই কাৰ্টিজ ব্যৱহাৰ কৰিবলৈ ভাৰতীয় বাহিনী অস্বীকাৰ হৈছিল। ১৮৫৭ চনৰ ২৯ মাৰ্চত বেৰেকপুৰত মঙ্গল পাণ্ডে নামৰ এজন চিপাহী কাৰ্টিজ ব্যৱহাৰ কৰিবলৈ অমান্তি হোৱাৰ উপৰিও সেনা বিষয়াৰ ওপৰত আক্ৰমণ কৰিছিল। সেই অপৰাধত তেওঁক ফাঁচী দিয়া হৈছিল। বৃটিছে সেই বাহিনীটো ভংগ কৰি দোষীবোৰক শাস্তি প্ৰদান কৰিছিল। এনেদৰে বিদ্ৰোহ মিৰাট, দিল্লী, লক্ষ্মৌ, এলাহাবাদ, কানপুৰ, বেৰিলী, ঝাঞ্চী আদিলৈ বিয়পি গৈছিল। কিন্তু বিদ্ৰোহ আৰম্ভণিতে কিছু সফলতা লাভ কৰিলেও অৱশেষত চিপাহীসকলে উদ্দেশ্য সিদ্ধিত উপনীত হ'ব পৰা নাছিল। বিভিন্ন কাৰণত চিপাহী বিদ্ৰোহ বিফল হৈছিল।

এইটো ঐতিহাসিকভাৱে সত্য যে উপনিৱেশৰ ৰাজনীতি, অৰ্থনীতি, সমাজ আৰু প্ৰশাসনিক গাঁঠনি আদি মূল পৰিবৰ্তন উপনিৱেশবাসীৰ প্ৰয়োজনীয়তা



আৰু স্বাৰ্থৰ ওপৰত নিৰ্ভৰ নকৰে, ই নিৰ্ভৰ কৰে ৰাজকীয় শক্তিৰ আকাংক্ষা আৰু আগ্ৰহৰ ওপৰতহে। ১৮৫৭ চনৰ পিছত বহুতো প্ৰতিদ্বন্দ্বী পশ্চিমীয়া ৰাজকীয় আৰু পুঁজিবাদী শক্তি আনকি আমেৰিকা আৰু জাপানে উপনিৰেশ আৰু অৰ্ধ-উপনিৰেশ আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত বৃটিছৰ ৰাজনৈতিক আৰু বাণিজ্যিক প্ৰতিদ্বন্দ্বী হৈ থিয় হৈছিল। তাৰোপৰি ঊনৈশ শতিকাৰ শেষৰ পিনে বৃটেইনৰ আভ্যন্তৰত এটা পুঁজিবাদী লবী বৈদেশিক নীতি আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক ক্ষেত্ৰত বৃটিছ পাৰ্লিয়ামেণ্টত শক্তিশালী হৈ পৰিছিল। এই সকলো পৰিবৰ্তিত ঘটনাই বৃটিছ চৰকাৰক ভাৰত শাসনৰ ক্ষেত্ৰত দৃঢ় পদক্ষেপ ল'বলৈ বাধ্য কৰাইছিল। এনেদৰে প্ৰশাসনিক গাঁঠনিৰ পৰিবৰ্তন আৰু নতুন আঁচনি অপৰিহাৰ্য্য হৈ পৰিছিল। ইংলেণ্ডত সকলো শ্ৰেণীৰ ৰাজনৈতিক মতামতৰ ভিত্তিত সিদ্ধান্তলৈ অহা হৈছিল যে ইষ্ট-ইণ্ডিয়া কোম্পানীৰ অৰ্থনৈতিক আৰু প্ৰশাসনিক নীতিয়ে ভাৰতীয় সমাজৰ সকলো শ্ৰেণীৰ মাজত অসন্তোষ বৃদ্ধি পোৱাৰ কাৰণে দায়ী আছিল আৰু ইয়াৰ ফলতে ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহ সংঘটিত হৈছিল। বৃটিছ চৰকাৰেও কোম্পানীৰ কাৰ্যকলাপৰ ফলত সৃষ্টি হোৱা ভয়াবহ অৱস্থাৰ বাবে আৰু ভাৰতবাসীয়ে গ্ৰহণ কৰা ইংৰাজ বিৰোধী মনোভাৱত শংকিত হৈ পৰিছিল আৰু ভাৰতত কোম্পানীৰ শাসনৰ অন্ত পেলাবলৈ সিদ্ধান্ত লৈছিল। ইয়াৰ উপৰিও বৃটিছ চৰকাৰে ভাৰতৰ শাসন ব্যৱস্থা প্ৰত্যক্ষভাৱে ৰাজমুকুটৰ অধীনলৈ নিয়াৰ বাবে সিদ্ধান্ত লৈছিল।

**I. উন্নত ভাৰত শাসনৰ বাবে আইন, ১৮৫৮ (Act for the Bether Government of India (1858) ):**

১৮৫৮ চনত বিদ্ৰোহৰ সামৰণিৰ লগে লগে ব্যৱসায়ীক কোম্পানীৰ পৰা ৰাজনৈতিক ক্ষমতা কাঢ়ি ল'ব লাগে বুলি ইংলেণ্ডত দাবী উত্থাপন হৈছিল। এই বৰ্দ্ধিত দাবীৰ ভিত্তিত বৃটিছ পাৰ্লিয়ামেণ্টে ১৮৫৮ চনৰ 'ভাৰত চৰকাৰ আইন' গৃহীত কৰিছিল। এই আইনখনক 'ভাৰতৰ উন্নত চৰকাৰৰ বাবে আইন' (Act for better Government of India) নামে জনা গৈছিল। এই আইনৰ দ্বাৰা ভাৰতত

কোম্পানীৰ শাসনৰ অন্ত পৰিছিল আৰু ৰাজ্যখনৰ প্ৰশাসন প্ৰত্যক্ষভাৱে ইংলেণ্ডৰ ৰাজমুকুটৰ তললৈ গৈছিল।

পিটৰ ভাৰত শাসন আইন (১৭৮৪) বলবৎ হোৱাৰ সময়ৰ পৰা ভাৰতৰ শাসনকাৰ্যৰ ওপৰত বৃটিছ চৰকাৰ বা ৰাজমুকুটৰ ক্ষমতা ক্ৰমে শক্তিশালী আৰু দৃঢ় হৈ আহিছিল। কোৰ্ট অৱ ডিৰেক্টৰৰ ক্ষমতা (Court of Directors) ক্ৰমাগতভাৱে বিভিন্ন চাৰ্টাৰ এক্টৰ দ্বাৰা হ্ৰাস কৰা হৈছিল। চাৰ্টাৰ এক্ট ১৮৫৩ ত স্পষ্টভাৱে উল্লেখ কৰা হৈছিল যে ৰাজমুকুটৰ বিশ্বাসৰ ওপৰতহে ৰাজ্যক্ষেত্ৰ আৰু ৰাজহৰ অধিকাৰ কোম্পানীয়ে ভোগ কৰিব। যিহেতু ইতিমধ্যে ব্যৱসায়ীক একাধিপত্যৰ পৰা কোম্পানীক বঞ্চিত কৰা হৈছিল, ৰাজমুকুটৰ হাতলৈ মাত্ৰ ৰাজনৈতিক ক্ষমতা হস্তান্তৰহে মাত্ৰ বাকী আছিল। ১৭৮৪ চনত পিটৰ ভাৰত শাসন আইনৰ অধীনত দ্বৈত চৰকাৰৰ পদ্ধতি প্ৰচলন হৈছিল যদিও ভাৰতত ইয়াৰ কাৰ্যকাৰীতাই বিশেষকৈ প্ৰশাসনিক দিশত দক্ষতাৰে কৃতকাৰ্য হোৱাত বিফল হৈছিল। কোৰ্ট অৱ ডিৰেক্টৰ আৰু বোৰ্ড অৱ কণ্ট্ৰলৰ মাজত চলি থকা অবিৰাম দ্বন্দ্বই ক্ষিপ্ৰ সিদ্ধান্ত লোৱাত বাধাৰ সৃষ্টি কৰিছিল আৰু ইয়াৰ ফলত প্ৰশাসনৰ প্ৰভূত ক্ষতি হৈছিল। গতিকে ভাৰতৰ পৰা দ্বৈত শাসন পদ্ধতি অৱসান ঘটোৱাটো অতি আৱশ্যক হৈ পৰিছিল।

ইংলেণ্ডত এটা ধাৰণা ক্ৰমে বৃদ্ধি পাইছিল যে ভাৰত চৰকাৰৰ হাতত বাণিজ্যিক বিষয়টো এৰি দিয়া উচিত নহয়। কিয়নো তেওঁলোক জনসাধাৰণৰ স্বাৰ্থক অৱহেলা কৰাটো নিশ্চিত আৰু নিজৰ স্বাৰ্থ ৰক্ষাতহে ব্যস্ত। উদাৰতাবাদৰ প্ৰভাৱত থকা বৃটিছ প্ৰজাক ভাবিবলৈ বাধ্য কৰিছিল যে মন্ত্ৰী দায়িত্বশীল নোহোৱা কোনো চৰকাৰ উপযুক্ত হ'ব নোৱাৰে।

১৮৫৮ চনৰ ভাৰত চৰকাৰ আইন বলবৎ কৰাত অৰিহণা যোগোৱা এটি অতি গুৰুত্বপূৰ্ণ আৰু তাৎকালীন কাৰণ আছিল ১৮৫৭ চনৰ বিদ্ৰোহ। বৃটিছ চৰকাৰে ভাৰতৰ কোম্পানীৰ চৰকাৰক এই মহাবিদ্ৰোহৰ বাবে দোষী সাব্যস্ত কৰিছিল কিয়নো এই বিদ্ৰোহৰ ফলত ভাৰত আৰু ইউৰোপীয়ান উভয়ৰে প্ৰচুৰ জীৱন আৰু সম্পত্তিৰ ক্ষতি হৈছিল। তাৰোপৰি কোম্পানীৰ সমালোচনক সকল প্ৰকাশ্যে মুখৰ হৈ উঠিছিল আৰু দাবী কৰিছিল যে কোম্পানীৰ শাসনৰ অৱসান ঘটাই



ইংলেণ্ডৰ ৰাজমুকুটৰ হাতলৈ ভাৰতৰ শাসনভাৰ হস্তান্তৰিত হ'ব লাগে।

১৮৫৭ চনৰ সাধাৰণ নিৰ্বাচনত জয়লাভ কৰি পালমাৰ্ষ্টন ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী হৈছিল। সমালোচকসকলৰ দাবীৰ প্ৰতি লক্ষ্য ৰাখি পাৰ্লমাৰ্ষ্টনে ভাৰতৰ প্ৰশাসন ৰাজমুকুটৰ হাতলৈ নিবলৈ ইচ্ছা কৰিছিল। পালমাৰ্ষ্টনৰ এই সিদ্ধান্তই ইষ্ট-ইণ্ডিয়া কোম্পানীক শংকিত কৰিছিল আৰু ই এখন 'গ্ৰেণ্ড পিটিচন' (Grand Petition) বৃটিছ চৰকাৰৰ ওপৰত উত্থাপন কৰি যুক্তি দৰ্শাইছিল যে যদি দ্বৈত শাসন ব্যৱস্থাত কোনো ত্ৰুটি আছিল সেইটো 'পিটচ ইণ্ডিয়া এক্ট' বলবৎ কৰা ইংলেণ্ডৰ চৰকাৰেই কৰিছিল। কোম্পানীয়ে ভাৰত আৰু ইংলেণ্ডৰ প্ৰতি আগবঢ়োৱা মহান সেৱাৰ কথা দোহাৰে আৰু ভাৰতৰ শাসন ইংলেণ্ডৰ হাতলৈ গ'লে তাৰ পৰা বিপদৰ আশংকাৰ প্ৰতিচ্ছবি দাঙি ধৰে। ৰোজ মংগল্চে (Ross Mangles) কোম্পানীৰ অধ্যক্ষ হিচাবে দৃঢ়ভাৱে সাব্যস্ত কৰিছিল যে এটা মধ্যৱৰ্তী, অৰাজনৈতিক আৰু সম্পূৰ্ণ স্বাধীন গোট ইষ্ট-ইণ্ডিয়া কোম্পানী ভাৰতত উৎকৃষ্ট শাসন চলোৱাৰ বাবে অতি উপযোগী।

ইষ্ট-ইণ্ডিয়া কোম্পানীৰ শক্তিশালী যুক্তি আৰু প্ৰতিৰোধ সত্ত্বেও পালমাৰ্ষ্টন কোম্পানীৰ প্ৰতি সহানুভূতিশীল নাছিল। পালমাৰ্ষ্টনে ১৮৫৮ চনৰ ফেব্ৰুৱাৰীত ভাৰতত উন্নত শাসন বা চৰকাৰ প্ৰতিষ্ঠাৰ বাবে বেটাৰে গভৰ্ণমেণ্ট অৱ ইণ্ডিয়া নামৰ (Better government of India) এখন বিল বৃটিছ পাৰ্লিয়ামেণ্টত উত্থাপন কৰিছিল। তেওঁ স্পষ্টকৈ প্ৰকাশ কৰিছিল যে বিলখনৰ প্ৰধান উদ্দেশ্য কোম্পানীৰ কাৰ্যাৱলীক নিন্দা কৰা বা নস্যাৎ কৰা নহয়, ইয়াৰ উদ্দেশ্য আছিল প্ৰচলিত শাসন ব্যৱস্থাত থকা দোষ ত্ৰুটিবোৰ আঁতৰ কৰা। তেওঁ কৈছিল যে বৃটিছৰ ৰাজনৈতিক পদ্ধতিৰ নীতি এনে যে সকলো প্ৰশাসনিক কাৰ্যৰ সৈতে মন্ত্ৰীপৰিষদ পাৰ্লিয়ামেণ্টৰ ওচৰত দায়ী। এই ক্ষেত্ৰত চৰকাৰত থকা প্ৰধান কাৰ্যবাহী বিষয়াসকল এটা গোটৰ বা সংঘৰ ওচৰতহে দায়ী, পাৰ্লিয়ামেণ্টৰ ওচৰত দায়ী নহয় আৰু তেওঁলোক ৰাজমুকুটৰ দ্বাৰা নিয়োজিত নহয় কিন্তু এনে লোকৰ দ্বাৰা নিৰ্বাচিত যে যিসকলৰ ভাৰতৰ সৈতে কোনো সম্পৰ্ক নাই। কিন্তু বিলখনে দ্বিতীয় পৰ্য্যায় লাভ কৰাৰ লগে লগে পালমাৰ্ষ্টন মন্ত্ৰীসভাৰ পতন হৈছিল আৰু তেওঁৰ স্থলাভিষিক্ত হৈছিল

লৰ্ড ডাৰ্বি। ফলত বিল অনুমোদিত হোৱা নাছিল। ষ্টেনলিয়ে (Slanley) এখন বিল উত্থাপন কৰিছিল আৰু ই ১৮৫৮ চনৰ ২ আগষ্টত অনুমোদিত হৈছিল।

**১৮৫৮ চনৰ চৰ্তবোৰ (Provision of the Act of 1858) :**

১। ১৮৫৮ চনৰ আইনত ঘোষণা কৰা হৈছিল যে এতিয়াৰ পৰা ইংলেণ্ডৰ সাৰ্বভৌমত্ব মুৰব্বীৰ দ্বাৰা আৰু মুৰব্বীৰ নামত ৰাজ্যৰ প্ৰধান চেক্ৰেটাৰী (Principal Secretaries of state) বা এজন ভাৰত সচিবে (Secretary of state) ১৫ জন সদস্যৰে গঠিত এখন কাউন্সিলৰ সহায়ত ভাৰত শাসন কৰিব।

ৰাজ্যৰ সচিবজনক ইতিমধ্যে কোৰ্ট অৱ ডিৰেক্টৰ আৰু বোৰ্ড অৱ কণ্ট্ৰলে ভোগ কৰি অহা সকলোবোৰ ক্ষমতা প্ৰদান কৰা হৈছিল।

২। ১৫ জন সদস্যৰে গঠিত এখন কাউন্সিলে ৰাজ্য সচিবক সহায় কৰিব। কাউন্সিলৰ ১৫ জন সদস্যৰ ভিতৰত ৮ জন সদস্য বৃটিছ সাৰ্বভৌম গৰাকীয়ে নিয়োগ কৰিব আৰু আন ৭ জন কোৰ্ট অৱ ডিৰেক্টৰৰ দ্বাৰা নিয়োজিত হ'ব। আইনখনত এইটোও সন্নিবিষ্ট কৰা হৈছে যে এই সদস্যসকলৰ কমেও অৰ্ধেক অংশ ভাৰতত ১০ বছৰ কাম কৰা হ'ব লাগিব আৰু নিয়োগৰ সময়ত তেওঁলোক ভাৰতত থাকিব লাগিব। যেতিয়ালৈ সদস্যসকল সু-চৰিত্ৰ আৰু সদ আচৰণৰ লোক হৈ থাকিব তেতিয়ালৈ তেওঁলোকে কাৰ্যকাল চলাই থাকিব পাৰিব আৰু পাৰ্লিয়ামেণ্টৰ উভয় সদনৰ দ্বাৰা অনুমোদিত এখন আবেদনৰ জৰিয়তে তেওঁলোকক আঁতৰ কৰিব পৰা যাব।

৩। কাউন্সিলখন মাত্ৰ এখন সাধাৰণ পৰামৰ্শদাতা বোৰ্ডহে আৰু চুড়ান্ত সিদ্ধান্তৰ ক্ষমতা ৰাজ্যিক সচিবৰ হাতত ন্যস্ত। আনকি কাউন্সিলৰ সংখ্যাগৰিষ্ঠৰ সিদ্ধান্তও উলাই কৰাৰ কৰ্তৃত্ব ৰাজ্যিক সচিবে লাভ কৰিছিল। কিন্তু ভাৰতীয় ৰাজহৰ অনুমোদন বা আত্মসাতৰ বিষয়ত কাউন্সিলৰ সংখ্যাগৰিষ্ঠ লোকৰ মতামতৰ বিৰুদ্ধে ৰাজ্য সচিবে থিয় হ'ব নোৱাৰে। ৰাজমুকুটৰ সামৰিক আৰু অসামৰিক সেৱাৰ ওপৰত নিয়ন্ত্ৰণ ৰখাৰ অধিকাৰ ভাৰতীয় কাউন্সিলৰ ওপৰত ন্যস্ত কৰা হৈছিল। ভাৰতীয় কাৰ্যকলাপৰ ওপৰত নিৰ্দেশনা আৰু নিয়ন্ত্ৰণ ৰাখিবৰ বাবে একমাত্ৰ কৰ্তৃত্ব ভাৰতৰ ৰাজ্য সচিবৰ ওপৰত ন্যস্ত কৰা হৈছিল।



৪। ৰাজ্য সচিবজন বৃটিছ কেবিনেটৰ সদস্য হ'ব লাগিব আৰু পাৰ্লিয়ামেণ্টৰ আণ্ডাৰ চেক্ৰেটাৰী (Parliamentary under Secretary) এজনে তেওঁক সহায় কৰিব। ৰাজ্য সচিবজনৰ দৰমহা আৰু ভাট্টা ভাৰতীয় ৰাজহৰ ওপৰত ভিত্তি কৰি নিৰ্ণয় কৰা হ'ব।

৫। ৰাজ্যিক সচিবজনক গভৰ্ণৰ জেনেৰেলৰ গোপন বাৰ্ত্তা গ্ৰহণ আৰু প্ৰেৰণ কৰাৰ কৰ্তৃত্ব প্ৰদান কৰা হৈছিল।

৬। ৰাজ্যিক সচিবজনে ভাৰতৰ জনসাধাৰণৰ পাৰ্থিব আৰু নৈতিক উন্নয়নৰ বিষয়ে বৃটিছে পাৰ্লিয়ামেণ্টৰ ওচৰত বাৰ্ষিক প্ৰতিবেদন দাখিল কৰিব লাগিছিল।

৭। ভাৰতৰ ৰাজ্যিক সচিবজনক এটা ন্যায়িক গোট হিচাবে ঘোষণা কৰা হৈছিল আৰু তেওঁ ভাৰত আৰু ইংলেণ্ডতো বিচাৰ কৰিব পাৰিছিল।

৮। আইনখনত ব্যৱস্থা কৰা হৈছিল যে বৃটিছ পাৰ্লিয়ামেণ্টৰ অনুমতি নোহোৱাকৈ ভাৰতৰ বাহিৰৰ সামৰিক কাৰ্যত ভাৰতীয় ৰাজহৰ ধন খৰচ কৰিব নোৱাৰিব। কিন্তু আকস্মিক বা জৰুৰী প্ৰয়োজনত বা আক্ৰমণ বোধ কৰাৰ বাবে এই ধন ব্যৱহাৰ কৰিব পাৰিব।

৯। এই আইনৰ জৰিয়তে ভাৰতৰ গভৰ্ণৰজনক তেতিয়াৰ পৰা ভাইচৰয় হিচাপে জনা যাব আৰু তেওঁ বৃটিছ ৰাজমুকুটৰ প্ৰত্যক্ষ প্ৰতিনিধি হিচাবে ভাৰতত কাৰ্য সম্পাদন কৰিব। এনে পৰিৱৰ্তনৰ ফলত গভৰ্ণৰ জেনেৰেলৰ কাৰ্যালয়ৰ মৰ্যাদা আৰু সন্মান বহু পৰিমাণে বৃদ্ধি কৰা হৈছিল।

১০। এই আইনে ভাৰত চৰকাৰ (Government of India) আৰু ৰাজ্যিক সচিব (Secretary of State in Council) ৰ মাজত থকা ৰাজকীয় সাহায্যৰ বিভাজন আনিছিল। **ইয়াত নিৰ্দিষ্ট কৰা হৈছিল যে সকলো নিয়োগ আৰু**

পদোন্নতিৰ কাম ভাৰতত ভাৰতীয় কৰ্তৃপক্ষৰ দ্বাৰা সম্পন্ন কৰা হ'ব। কভনেণ্টেদ চিভিল ছাৰ্ভিচত নিয়োগৰ ব্যৱস্থা ৰাজ্যিক সচিবে চিভিল ছাৰ্ভিচ কমিচনাৰৰ সহযোগত প্ৰস্তুত কৰা নিয়ম অনুসৰি মুকলি প্ৰতিযোগিতাৰ মাজেৰে অনুষ্ঠিত কৰিছিল।

## ১৮৫৮ চনৰ আইনৰ ক্ৰটি বা দোষ (Defects of the Act of 1858)ঃ

১৮৫৮ চনৰ আইনৰ অসংখ্য ক্ৰটি আছিল। আইনখনৰ কাৰ্যকাৰীতাৰ লগে লগে ইয়াৰ ক্ৰটিবোৰ পৰিলক্ষিত হৈছিল।

প্ৰথমতে, ৰাজ্য সচিবৰ পৰিষদ বা কাউন্সিলখনে ৰাজ্য সচিবৰ ক্ষমতাৰ ওপৰত উপযুক্ত নিয়ন্ত্ৰণ ৰখাত বিফল হৈছিল। যদিও ই ৰাজহ সংগ্ৰহ আৰু খৰচৰ ক্ষেত্ৰত কাৰ্যকৰী আৰু সক্ৰিয় ক্ষমতা প্ৰদান কৰিছিল, যুদ্ধ আৰু শান্তিৰ ক্ষেত্ৰত ইয়াৰ ওপৰত কোনো ক্ষমতা ন্যস্ত কৰা নাছিল। ইয়াৰ স্থান কিছুমান চৰ্তৰ দ্বাৰা দুৰ্বল কৰাহে হৈছিল যে ৰাজ্য সচিবে কিছুমান বিশেষ বিষয়ত পৰিষদ বা কাউন্সিলৰ পৰা গোপনীয়তা ৰক্ষা কৰিব লাগিছিল আৰু কাউন্সিলে এই ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিছিল। কাউন্সিললৈ প্ৰেৰণ কৰা কিছুমান বিষয়ৰ ওপৰতহে মাত্ৰ ৰাজ্যিক সচিবক পৰামৰ্শ দিয়াৰ অধিকাৰ কাউন্সিলৰ ওপৰত প্ৰদান কৰিছিল। কাউন্সিলে যিকোনো বিষয়ত নিজৰ ইচ্ছামতে পৰামৰ্শ প্ৰদান কৰিব পৰা নাছিল।

দ্বিতীয়তে, ভাৰতত থকা স্থায়ী বিষয়াসকলে, (যিসকলে গুণগতভাৱে ভাৰতত প্ৰশাসন চলাইছিল) লণ্ডনস্থিত ভাৰতীয় কাৰ্য্যালয়ৰ সৈতে অতি ঘনিষ্ঠ সম্পৰ্ক আছিল। তেওঁলোক কেতিয়াও স্থানান্তৰিত হোৱা নাছিল আৰু সেইবাবে তেওঁলোকে দায়িত্বহীন মনোভাৱেৰে কাৰ্য সম্পাদন কৰিছিল। পিছত নতুন বিষয়াসকলে উদ্ধত আচৰণ কৰিবলৈ ধৰিছিল আৰু ইংৰাজ আৰু ভাৰতীয়ৰ মাজত সম্পৰ্ক তিক্ত হোৱাত প্ৰচুৰ বৰঙণি যোগাইছিল। এই সকলোবোৰ দোষ-ক্ৰটি সত্বেও এইটো অস্বীকাৰ কৰিব নোৱাৰি যে ১৮৫৮ চনৰ ভাৰত চৰকাৰ আইনৰ যথেষ্ট সাংবিধানিক তাৎপৰ্য আছে। এই আইনে ভাৰত বুৰঞ্জীৰ এটা বিশাল যুগৰ



সামৰণি পেলাইছিল আৰু এটা মহান যুগ অৰ্থাৎ ৰাজমুকুটৰ প্ৰত্যক্ষ শাসনৰ যুগৰ আৰম্ভণি কৰিছিল।

## II. মহাৰাণীৰ ঘোষণা পত্ৰ (Queen's Proclamation)ঃ

১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ ঠিক পিছতে আন এটা গুৰুত্বপূৰ্ণ সাংবিধানিক পৰিৱৰ্তন আছিল ১৮৫৮ চনৰ ১ নৱেম্বৰত ঘোষণা কৰা মহাৰাণীৰ ঘোষণা পত্ৰ। ভাৰতৰ নতুন ভাইচৰয় লৰ্ড কেনিঙে এলাহাবাদত বিশেষ দৰবাৰ পাতি মহাৰাণীৰ ঘোষণাপত্ৰ পাঠ কৰিছিল আৰু ই আছিল ৰাজমুকুটৰ দ্বাৰা ভাৰতৰ শাসনভাৰ নীতিগতভাৱে গ্ৰহণ কৰাৰ এটা চৰকাৰী পন্থা। এই ঘোষণাপত্ৰই ভৱিষ্যতৰ ভাৰত শাসনৰ নীতিবোৰ নিৰ্দিষ্ট কৰিছিল আৰু বৃটিছ প্ৰজাৰ সৈতে ভাৰতবাসীক সমস্থান প্ৰদান কৰিবলৈ নিশ্চয়তা প্ৰদান কৰিছিল। এই ঘোষণা পত্ৰত নতুন ভাৰত চৰকাৰৰ উদাৰতা, জনকল্যাণ আৰু ধৰ্মীয় সহিষ্ণুতাৰ আদৰ্শ প্ৰতিফলিত হৈছিল।

পাঠ কৰা ঘোষাণপত্ৰত উল্লেখ আছিল যে—

"যিহেতু বহুতো পৃথক আৱশ্যক কাৰণত আমি পাৰ্লিয়ামেণ্টত সমবেত লৰ্ডচ্ স্পিৰিচুৱেল (Lord Spiritual) আৰু অস্থায়ী আৰু সাধাৰণ প্ৰজাৰ পৰামৰ্শ আৰু সন্মতিক্ৰমে আমি ভাৰতৰ ৰাজ্যক্ষেত্ৰবোৰৰ চৰকাৰ নিজে ল'বলৈ সিদ্ধান্ত গ্ৰহণ কৰিছো, ইয়াৰ পূৰ্বে সন্মানীয় ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে আমাৰ বাবে বিশ্বাসেৰে ইয়াক শাসন কৰি আছিল।

"এতিয়া এই জাননীৰ দ্বাৰা ঘোষণা কৰো যে আমি পূৰ্বে প্ৰদান পৰামৰ্শ আৰু সন্মতি সাপেক্ষে আমি নিজে চৰকাৰৰ দায়িত্ব গ্ৰহণ কৰিলো আৰু সেই অঞ্চলবোৰৰ ভিতৰত থকা আমাৰ সকলো প্ৰজাক বিশ্বাসী হ'বলৈ আহ্বান জনাওঁ আৰু আমাৰ উত্তৰাধিকাৰীৰ প্ৰতি আৰু পৰৱৰ্তী শাসকসকলৰ প্ৰতি সঁচা আনুগত্য প্ৰকাশ কৰিবলৈ আহ্বান জনাওঁ আৰু আমাৰ নামত (ৰাজমুকুট) আৰু আমাৰ হকে উক্ত অঞ্চলবোৰত চৰকাৰ পৰিচালনা কৰিবলৈ মাজে সময়ে নিয়োগ কৰা সেই কৰ্তৃপক্ষ সমূহৰ ওচৰত নিজকে সমৰ্পণ কৰিবলৈ আহ্বান জনাও।

"আৰু আমি বিশেষকৈ ৰাজভক্তিত, দক্ষতা আৰু ন্যায্যতাত প্ৰত্যয় [illegible] আমাৰ প্ৰিয় কাউন্সিলৰ চাৰ্লছ জন ভিচকাউণ্ট কেনিঙক নিয়োগ কৰিলো, উক্ত ভিচকাউণ্ট কেনিং আমাৰ প্ৰথমজন ভাইচৰয় হ'ব আৰু সেইমতে আমাৰ নামত গঠন কৰা চৰকাৰখনে আমাৰ এজন প্ৰধান ৰাজ্যিক সচিবৰ জৰিয়তে আমাৰ পৰা মাজে সময়ে লাভ কৰা আদেশ আৰু অধিনিয়মৰ অধীনত আমাৰ হকে, আমাৰ নামত শাসন পৰিচালনা কৰিব।

"আমি ইয়াৰ দ্বাৰা ভাৰতৰ স্থানীয় ৰাজকুমাৰসকললৈ ঘোষণা কৰো যে সন্মানীয় ইষ্ট-ইণ্ডিয়া কোম্পানীৰ কৰ্তৃত্ব আৰু আমাৰ দ্বাৰা স্বীকৃত হোৱা সকলো চুক্তি আৰু বুজাবুজি সন্দেহাতীত ভাৱে পালন কৰা হ'ব।

"বৰ্তমান আমাৰ দখলত থকা অঞ্চলৰ সম্প্ৰসাৰণ কৰাৰ বাবে আমি ইচ্ছুক নহয় আৰু আমি আমাৰ ৰাজ্যৰ ওপৰত আক্ৰমণ কৰিবলৈ বা আমাৰ অধিকাৰ ভংগ কৰাৰ অনুমতি দিয়া নহ'ব। আমি আনৰ ওপৰত শক্তি প্ৰয়োগ কৰাৰ অনুমতি নিদিও। আমি স্থানীয় ৰাজকুমাৰসকলক আমাৰ নিজৰদৰে, অধিকাৰ, মান আৰু মৰ্যদাক সন্মান কৰিম আৰু আমি আশা কৰো যে তেওঁলোকে আমাৰ নিজৰ প্ৰজা হিচাবে সমৃদ্ধিশালী হোৱাৰ সুযোগ লাভ কৰিব আৰু তাৰ দ্বাৰা আভ্যন্তৰীণ শান্তি আৰু সুস্থ চৰকাৰ লাভ কৰি সামাজিক প্ৰগতি সাধন কৰিব।

"আমি আন সকলো প্ৰজাৰ সৈতে যিদৰে নিজকে সম্পৰ্কৰ দ্বাৰা আবদ্ধ ৰাখো একেদৰে আমি আমাৰ ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ স্থানীয় লোকৰ প্ৰতি সম কৰ্তব্য পালন কৰিম আৰু নিজকে আবদ্ধ ৰাখিম।

"খৃষ্টান ধৰ্মৰ ওপৰত আমি কঠোৰভাৱে বিশ্বাস স্থাপন কৰি আৰু ধৰ্মৰ প্ৰতি কৃতজ্ঞতা স্বীকাৰ কৰি আমি আমাৰ প্ৰজাৰ ওপৰত দোষ আৰোপ কৰাৰ কোনো অধিকাৰ আৰু ইচ্ছা পৰিহাৰ কৰিম। আমি ইয়াক ৰাজকীয় ইচ্ছাপত্ৰ আৰু আনন্দ বুলি ঘোষণা কৰিম যে ধৰ্ম বিশ্বাসৰ দোহাই দি আৰু নীতি অনুসৰি যুক্তি প্ৰদৰ্শন কৰি কাৰো প্ৰতি অনুগ্ৰহ নেদেখুৱাও, উপদ্ৰৱ নকৰো বা অৰ্হতাহীন নকৰো, কিন্তু সকলোৱে সমানে আইনৰ সমতা আৰু নিৰপেক্ষ নিৰাপত্তা ভোগ কৰিব আৰু আমাৰ অধীনত থকা কৰ্তৃত্বশীল বিষয়াসকলক কঠোৰভাৱে নিৰ্দেশ কৰা



হৈছে যে তেওঁলোকে আমাৰ প্ৰজাৰ ধৰ্ম বিশ্বাস আৰু পূজাত হস্তক্ষেপ কৰি আমাক অসন্তুষ্ট নকৰিব।

যিমান দূৰ সম্ভৱ পিছৰ ইচ্ছাপত্ৰত ধৰ্ম বা জাতি নিৰ্বিশেষে সকলো প্ৰজাই মুক্তভাৱে আৰু নিৰপেক্ষভাৱে শিক্ষা, সমৰ্থ, আৰু অখণ্ডতাৰ দ্বাৰা গুণসম্পন্ন হ'লে আমাৰ সেৱাত কৰ্তব্য সম্পাদনৰ বাবে নিয়োজিত হ'ব।

"আমি সংলগ্ন দেশখনৰ মানুহক জানো আৰু সন্মান কৰো যি বিলাকে দেশখনক পূৰ্ব পুৰুষৰ পৰা লাভ কৰা বুলি গণ্য কৰে আৰু আমি তেওঁলোকৰ সকলো অধিকাৰ তেওঁলোকে বিচৰা মতে ৰক্ষা কৰিবলৈ ইচ্ছুক আৰু আমি সেইবোৰ সাধাৰণতে আইন প্ৰস্তুত কৰি আৰু সেইবোৰ কাৰ্যত বলবৎ কৰি সমাধান কৰিম আৰু সেইবোৰ ভাৰতৰ পুৰণি অধিকাৰ ৰীতি আৰু প্ৰথাৰ প্ৰতি সন্মান জনাই সম্পাদন কৰিম।

মহাৰাণীৰ ঘোষণাপত্ৰৰ মূল দিশবোৰ আছিল—-

প্ৰথমতে, ঘোষণা পত্ৰই ভাৰতৰ ৰজা বা ৰাজকুমাৰসকলক নিশ্চয়তা প্ৰদান কৰিছিল যে ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে তেওঁলোকৰ সৈতে কৰা চুক্তি আৰু বুজাবুজিবোৰ ইংলেণ্ডৰ ৰাণী (ৰাজমুকুট) যে মানি লৈছে আৰু তাক সন্দেহাতীতভাৱে পালন কৰিব।

দ্বিতীয়তে, ই গুৰুত্ব প্ৰদান কৰিছিল যে বৃটিছৰ সাম্ৰাজ্য সম্প্ৰসাৰণ কৰাৰ কোনো ইচ্ছা নাই আৰু দৃঢ়ভাৱে কৈছিল যে ইংৰাজে আনৰ অধিকাৰক্ষেত্ৰৰ ওপৰত বল প্ৰয়োগ কৰি দখল নকৰে বা আনৰ অঞ্চলৰ ওপৰত দখলিস্বত্ব ল'বলৈ আনক অনুমতিও নিদিয়ে।

তৃতীয়তে, ই গুৰুত্ব দিছিল যে বৃটিছসকল বৃটিছ প্ৰজাৰ প্ৰতি যেনেদৰে দায়বদ্ধ একেদৰে ভাৰতীয় লোকৰ প্ৰতিও সমানে দায়বদ্ধ আৰু কৰ্তব্যপৰায়ণ হৈ থাকিব।

চতুৰ্থতে, ঘোষণা পত্ৰত প্ৰতিশ্ৰুতি দিয়া হৈছিল যে প্ৰজা সাধাৰণৰ ধৰ্মীয় কাম-কাজত কোনো ধৰণৰ হস্তক্ষেপ নকৰিব আৰু ধৰ্মৰ ভেটিত নিয়োগৰ ক্ষেত্ৰত কোনো বৈষম্য কৰা নহ'ব।

পঞ্চমতে, ঘোষণাপত্ৰত সকলো প্ৰজাকে সমানে সমন্যায় প্ৰদানৰ প্ৰতিশ্ৰু দিয়া হৈছিল।

ষষ্ঠতে, ঘোষণা পত্ৰৰ জৰিয়তে সকলো প্ৰজাৰ বাবে চাকৰি বা সেৱা মুকলি কৰা হৈছিল। ধৰ্ম, বৰ্ণ, জাতি আদি নিৰিশেষে চৰকাৰী চাকৰি বা সেৱাত নিয়োগ ক্ষেত্ৰত কোনো বৈষম্য ৰখা নহ'ব। অৰ্হতাৰ ওপৰত ভিত্তি কৰি সকলো নিয়োগ সম্পন্ন কৰা হ'ব।

সপ্তমতে, ভাৰতৰ প্ৰাচীন অধিকাৰ, ৰীতি-নীতি আৰু প্ৰথাক আইনৰ জৰিয়তে সন্মান কৰা হ'ব বুলি ঘোষণা পত্ৰত প্ৰতিশ্ৰুতি দিছিল। ইয়াত পৈতৃক স্বত্বাধিকাৰ আৰু ভূমিৰ অধিকাৰক সম্পূৰ্ণ ৰক্ষণাবেক্ষণ দিবলৈ প্ৰতিশ্ৰুতিও দিয়া হৈছিল।

অষ্টমতে, ইয়াত শান্তিপূৰ্ণভাৱে উদ্যোগ স্থাপন, জনসাধাৰণৰ কল্যাণৰ বাবে কামৰ অগ্ৰগতি আৰু উন্নতিৰ কাৰণে সক্ৰিয় ভূমিকা পালন কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। তাৰোপৰি সকলো প্ৰজাৰ সমৃদ্ধিৰ কাৰণে পদক্ষেপ গ্ৰহণ কৰিব।

অৱশেষত ইংৰাজ চৰকাৰৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ কৰা সকলো ভাৰতীয়কই ক্ষমা দান কৰিছিল।

১৮৫৮ চনৰ মহাৰাণী ঘোষণাপত্ৰৰ গুৰুত্ব আছিল যে ভৱিষ্যতে ভাৰতীয়ক শাসন কৰাৰ বাবে বৃটিছ চৰকাৰক আঁচনি প্ৰস্তুতকৰণৰ বাবে নীতি নিৰ্দেশনা প্ৰদান কৰিছিল। এই নীতিবোৰে ১৯১৭ চনলৈ চৰকাৰৰ আঁচনি প্ৰস্তুতকৰণৰ ভেটি আছিল।

### III. প্ৰাদেশিক শাসন (Procinvial Administration)ঃ

বৃটিছ চৰকাৰে শাসনৰ সুবিধাৰ বাবে ভাৰতক তিনিখন প্ৰধান প্ৰদেশত ভাগ কৰিছিল আৰু সেই প্ৰদেশ তিনিখন আছিল— বংগ, মাদ্ৰাজ আৰু বোম্বে। এই তিনিখন প্ৰদেশক প্ৰেচিডেন্সি নামেৰে জনা গৈছিল। এই প্ৰেচিডেন্সিসমূহ এজন গভৰ্ণৰ আৰু এক্সিকিউটিভ কাউন্সিলে পৰিচালনা কৰিছিল আৰু এইসকলক ৰাজমুকুট বা ইংলেণ্ডৰ ৰজাই নিয়োগ কৰিছিল। প্ৰেচিডেন্সি চৰকাৰে অন্য



চৰকাৰতকৈ বেছি অধিকাৰ আৰু ক্ষমতা লাভ কৰিছিল। আনহাতে আন প্ৰদেশবোৰ লেফটেনেণ্ট গভৰ্ণৰ আৰু চীফ কমিচনাৰে শাসন কৰিছিল আৰু তেওঁলোকক গৰ্ভণৰ জেনেৰেলে নিয়োগ কৰিছিল। ১৮৩৩ চনৰ পূৰ্বে প্ৰাদেশিক চৰকাৰবোৰে প্ৰচুৰ স্বায়ত্ব শাসন লাভ কৰিছিল। ১৮৩৩ চনৰ আইনে (চাৰ্টাৰ এক্ট) আইন গ্ৰহণ কৰা ক্ষমতা কাঢ়ি নিছিল আৰু ব্যয়ৰ ওপৰত কঠোৰ নিয়ন্ত্ৰণ কৰিছিল। এই আইনখনে ভাৰতত থকা কোম্পানীৰ অঞ্চলবোৰত বলবৎ কৰা আইনী ক্ষমতা কেন্দ্ৰীভূতকৰণ কৰিছিল। বোম্বে আৰু মাদ্ৰাজ চৰকাৰক আইনী ক্ষমতাৰ পৰা বঞ্চিত কৰিছিল।

### প্ৰাদেশিক আইন সভা বা ব্যৱস্থাপক সভা (Provincial Legislasture)ঃ

১৭৭৩ চনৰ আগতে বোম্বে আৰু মাদ্ৰাজ প্ৰাদেশিক চৰকাৰৰ বিধি প্ৰস্তুত কৰা ক্ষমতা আছিল। ১৭৭৩ চনৰ আইনত ব্যৱস্থা ৰখা হৈছিল যে প্ৰাদেশিক চৰকাৰে প্ৰস্তুত কৰা সকলো নীতি-নিয়ম আৰু আইন গভৰ্ণৰ-জেনেৰেল-ইন-কাউন্সিললৈ প্ৰেৰণ কৰিব লাগিছিল। প্ৰদেশভেদে এই আইন বা নিয়মবোৰ বেলেগ বেলেগ আছিল। ইয়ে বহুতো অসুবিধাৰ সৃষ্টি কৰিছিল। সেয়ে ১৮৩৩ চনৰ চাৰ্টাৰ এক্টে নীতি-নিৰ্দ্ধাৰণ কৰিব পৰা ক্ষমতাৰ পৰা প্ৰেচিডেন্সি বা প্ৰাদেশিক চৰকাৰক বঞ্চিত কৰিছিল। সমগ্ৰ ভাৰতৰ বাবে গভৰ্ণৰ জেনেৰেল ইন-কাউন্সিলে বিধি-বিধান বলবৎ কৰিছিল। এনেদৰে ১৮৩৩ চনৰ চাৰ্টাৰ এক্টে আইনী কেন্দ্ৰীকৰণ ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল।

কেন্দ্ৰীভূত আইন প্ৰণয়ন নীতি ত্ৰুটিপূৰ্ণ বুলি প্ৰমাণিত হৈছিল। কিয়নো কেন্দ্ৰীয় চৰকাৰ প্ৰেচিডেন্সি বা প্ৰদেশসমূহৰ স্থানীয় সমস্যাৰ সৈতে পৰিচিত নহয় আৰু সেইবাবে ই বিভিন্ন প্ৰদেশৰ বাবে উপযুক্ত আইন প্ৰস্তুত কৰিব পৰা নাছিল। ১৮৫৩ চনৰ চাৰ্টাৰ এক্টৰ যোগেদি সেই ত্ৰুটিবোৰ আঁতৰ কৰিবলৈ চেষ্টা কৰা হৈছিল। এই আইনত ব্যৱস্থা কৰা হৈছিল যে প্ৰতিখন প্ৰেচিডেন্সিয়ে গভৰ্ণৰ জেনেৰেল কাউন্সিললৈ এজনকৈ প্ৰতিনিধি প্ৰেৰণ কৰিব পাৰিছিল আৰু প্ৰেচিডেন্সিসমূহৰ পৰা প্ৰেৰণ কৰা সদস্যজনৰ অনুপস্থিতিত কোনো আইনী

পদক্ষেপ গ্ৰহণ কৰিব নোৱাৰিছিল। কিন্তু এই আইনখনেও সমস্যাসমূহ সম্পূৰ্ণ নিৰাময় কৰিব পৰা নাছিল।

ইষ্ট-ইণ্ডিয়া কোম্পানীৰ পৰা ইংলেণ্ডৰ ৰাজমুকুটৰ হাতলৈ ক্ষমতা হস্তান্তৰ হোৱাৰ পিছত ১৮৬১ চনৰ ভাৰতীয় পৰিষদ আইন (Indian Council Act) ভাৰতত সাংবিধানিক পৰিৱৰ্তনৰ বাবে পদক্ষেপ লোৱা প্ৰথম আইন। এই আইনৰ প্ৰধান বৈশিষ্ট্যসমূহ আছিল যে গভৰ্ণৰ জেনেৰেলৰ আইনী পৰিষদখন বিধি-বিধান প্ৰস্তুত কৰাৰ উদ্দেশ্যে সম্প্ৰসাৰণ কৰা হৈছিল আৰু সেইবোৰে ইয়াত ৬ জনতকৈ বেছি আৰু ১২ জনতকৈ কম সদস্য অন্তৰ্ভুক্তিৰ ব্যৱস্থা কৰা হৈছিল। অন্তত এই সদস্যবোৰৰ অৰ্দ্ধেক অংশ কাৰ্যালয়ৰ বাহিৰৰ মানুহ হ'ব লাগিছিল। মাদ্ৰাজ, বোম্বে আৰু বেংগলৰ বাবে আইনী ব্যৱস্থাপক সভা পুনৰ প্ৰতিষ্ঠা কৰা হৈছিল। গভৰ্ণৰ-জেনেৰেল-ইন-কাউন্সিলক উত্তৰ-পশ্চিম প্ৰদেশ আৰু পঞ্জাৱ প্ৰদেশৰ পৰিষদ গঠন কৰাৰ স্বাধীন ক্ষমতা প্ৰদান কৰা হৈছিল। এই দুখন প্ৰদেশৰ প্ৰাদেশিক কাউন্সিলৰ ক্ষেত্ৰত ইয়াৰ সদস্যসকলক গভৰ্ণৰে নিয়োগ কৰিছিল আৰু গভৰ্ণৰ জেনেৰেলে অনুমোদন জনাইছিল। আইন পৰিষদৰ ক্ষমতা আইন প্ৰণয়নতে সীমাবদ্ধ কৰা হৈছিল। প্ৰাদেশিক আইন ব্যৱস্থাপক সভাৰ দ্বাৰা গৃহীত প্ৰতিখন বিলৰ কাৰণে গভৰ্ণৰ বা গভৰ্ণৰ জেনেৰেলৰ সন্মতিৰ প্ৰয়োজন হৈছিল।

ইলবাৰ্ট বিল বিতৰ্কই ভাৰতীয়সকলক প্ৰত্যয় নিয়াইছিল যে বৃটিছ আমোলাসকলৰ পৰা তেওঁলোকে ন্যায় আৰু সম ব্যৱহাৰ আশা কৰিব নোৱাৰে। এজন অৱসৰপ্ৰাপ্ত বৃটিছ বিষয়া এলান অক্টোভিয়ান হিউমৰ দ্বাৰা ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ গঠন হৈছিল জাতীয় কংগ্ৰেছে দাবী কৰিছিল যে এটা বিবেচনীয় সংখ্যক নিৰ্বাচিত সদস্যৰ অন্তৰ্ভুক্তিৰ দ্বাৰা কেন্দ্ৰীয় আৰু প্ৰাদেশিক আইন ব্যৱস্থাপক সভাৰ সংস্কাৰ আৰু সম্প্ৰসাৰণ কৰিব লাগে আৰু তেওঁলোকৰ ওচৰলৈ বাজেট প্ৰেৰণ কৰিব লাগে আৰু সদস্যসকলৰ বিতৰ্কত অংশ গ্ৰহণ কৰি প্ৰশ্ন সোধাৰ অধিকাৰ থকা উচিত। ভাৰতীয় জাতীয় কংগ্ৰেছৰ আন্দোলনৰ হেঁচাত ১৯৯২ চনত ভাৰতীয় পৰিষদ আইন গ্ৰহণ কৰা হৈছিল। ১৮৯২ চনৰ আইনমতে পৰিষদৰ অতিৰিক্ত সদস্যৰ সংখ্যা বৃদ্ধি কৰা হৈছিল। কেন্দ্ৰীয় আইন (ব্যৱস্থাপক)



সভাৰ ক্ষেত্ৰত অতিৰিক্ত সদস্যৰ সংখ্যা ১০ আৰু ১৬ ভিতৰত ৰখা হৈছিল। মাদ্ৰাজ আৰু বোম্বেৰ ক্ষেত্ৰত সদস্যৰ সংখ্যা ৮ আৰু ১০ ৰ মাজত আছিল। বেঙ্গলৰ বাবে উৰ্দ্ধসীমা ২০ ত নিৰ্দিষ্ট কৰা হৈছিল আৰু উত্তৰ পশ্চিম প্ৰদেশৰ বাবেও ২০জনত নিৰ্দিষ্ট কৰা হৈছিল। অতিৰিক্ত সদস্যৰ ২/৫ অংশ অনা কৰ্মচাৰী হ'ব লাগিছিল।

এই আইনমতে প্ৰতিখন ব্যৱস্থাপক পৰিষদত অনা কৰ্মচাৰী সদস্যৰ এটা নিৰ্দিষ্ট অংশ চৰকাৰৰ মুৰব্বীজনে নিৰ্দিষ্ট বিভাগৰ অনুমোদনলৈ মনোনীত কৰিব লাগিছিল। প্ৰাদেশিক পৰিষদৰ ক্ষেত্ৰত অনুমোদন দিব পৰা বিভাগবোৰ আছিল মিউনিচিপাল কৰ্পৰেচন, ডিষ্ট্ৰিক বোৰ্ড, চেম্বাৰ অৱ কৰ্মাচ, ইউনিভাৰ্চিটি আদি। ৰাজকীয় ব্যৱস্থাপক সভাত (Imperial Legislative Council) ১৬ জন সদস্যৰ ৬ জন কৰ্মচাৰী, ৫ জন মনোনীত অনা কৰ্মচাৰী, আৰু বাকী ৫ জন নিৰ্বাচিত। এই নিৰ্বাচিত ৫ জনৰ কলিকতা চেম্বাৰ্চ অৱ কৰ্মাচৰদ্বাৰা এজন আৰু চাৰিখন প্ৰাদেশিক পৰিষদৰ অনা কৰ্মচাৰী সদস্যৰ দ্বাৰা এজনকৈ নিৰ্বাচিত হৈছিল। প্ৰতিখন পৰিষদতে পদেন (ex-officio) আৰু মনোনীত সদস্যৰ সংখ্যা সংখ্যাগুৰু আছিল। ব্যৱস্থাপক সভাৰ কাৰ্যৰ সম্প্ৰসাৰণ ঘটোৱা হৈছিল। নিৰ্দিষ্ট সীমাবদ্ধতাৰ মাজত ব্যৱস্থাপক সভাই বাজেটৰ ওপৰত আলোচনা কৰিব পাৰিছিল। ৰাজহুৱা স্বাৰ্থ জড়িত বিষয়ত পৰিষদৰ সদস্যই প্ৰশ্ন সুধিব পাৰিছিল। ইয়াৰ বাবে চৰকাৰক ৬ দিন সময় লৈ জাননী দিব লাগিছিল।

ভাৰতীয়সকল ১৮৯২ চনৰ ভাৰতীয় পৰিষদ আইনৰ সংস্কাৰৰ প্ৰতি সন্তুষ্ট হোৱা নাছিল। এই সংস্কাৰবোৰে ৰাজকীয় আইন সভা (Imperial Legislative Council) ত আৰু প্ৰাদেশিক ব্যৱস্থাপক সভাতো যথেষ্ট ক্ষমতা প্ৰদান কৰিব পৰা নাছিল। বাজেটৰ ওপৰত বিষয় অনুসৰি আলোচনা কৰাৰ কোনো সুবিধা দিয়া নাছিল। প্ৰশ্ন সোধাৰ ক্ষেত্ৰতো কঠোৰ সীমাবদ্ধতা আৰোপ কৰা হৈছিল। নিৰ্বাচন পদ্ধতিও জটিল আছিল। একেদৰে নিৰ্বাচিত সদস্যৰ সংখ্যাও নগণ্য বা অতি কম আছিল। সেয়ে ভাৰতীয়সকলে এলানি সংস্কাৰৰ দাবী উত্থাপন কৰিছিল। সেয়ে ভাৰতীয় পৰিষদ আইন ১৯০৯ প্ৰৱৰ্তন কৰা হৈছিল। এই আইনখনক মৰ্লি-

মিণ্টো সংস্কাৰ (Morley- Minto Reforms) বোলা হয়। ভাৰতৰ সাংবিধানিক ইতিহাসত এই আইনখন অতি গুৰুত্বপূৰ্ণ আছিল।

মৰ্লি-মিণ্টো সংস্কাৰ আইনে ৰাজকীয় ব্যৱস্থাপক (আইন) সভাৰ আকাৰ বৃদ্ধি কৰিছিল। অতিৰিক্ত সদস্যৰ সংখ্যা পূৰ্বৰ ১৬ জনৰ পৰা সৰ্বোচ্চ ৬০ জনলৈ বৃদ্ধি কৰিছিল। গতিকে ৰাজকীয় ব্যৱস্থাপক সভাৰ মুঠ সদস্য হৈছিল ৬৯ জন আৰু এই সদস্যসকলৰ ৩৭ জন কৰ্মচাৰী আৰু ৩২ জন আছিল অনা কৰ্মচাৰীৰ। আকৌ এই ৩৭ জন কৰ্মচাৰীৰ ২৮ জন আছিল মনোনীত কৰ্মচাৰী আৰু ৯ জন পদেন সদস্য। এই ৯ জন পদেন সদস্য আছিল গভৰ্ণৰ জেনেৰেল, সামৰিক সেনাধ্যক্ষ, প্ৰদেশৰ গভৰ্ণৰ আৰু আন ৬ জন আছিল গভৰ্ণৰ জেনেৰেলৰ কাৰ্যবাহী পৰিষদৰ (Executive Council) সাধাৰণ সদস্য। ৩২ জন অনা কৰ্মচাৰী সদস্য ভিতৰত ২৭ জন নিৰ্বাচিত আৰু ৫ জন মনোনীত সদস্য।

এই আইনখনৰ যোগেদি প্ৰাদেশিক ব্যৱস্থাপক পৰিষদৰ আকাৰ বৃদ্ধি কৰা হৈছিল। প্ৰদেশ অনুসৰি নিৰ্দ্ধাৰণ কৰা প্ৰতিখন প্ৰাদেশিক ব্যৱস্থাপক সভাৰ বৰ্দ্ধিত সদস্যৰ সংখ্যা তলত উল্লেখ কৰা হ'ল

| | |
|---|---|
| ১। বেঙ্গল ব্যৱস্থাপক সভা | ৫২ |
| ২। মাদ্ৰাজ ব্যৱস্থাপক সভা | ৪৭ |
| ৩। বোম্বে ব্যৱস্থাপক সভা | ৪৭ |
| ৪। উত্তৰ প্ৰদেশ ব্যৱস্থাপক সভা | ৪৭ |
| ৫। পূব-বেঙ্গল আৰু অসম পৰিষদ | ৪১ |
| ৬। পঞ্জাৱ ব্যৱস্থাপক সভা | ২৫ |
| ৭। বাৰ্মা ব্যৱস্থাপক সভা | ১৬ |

এই পৰিষদবোৰত অনা-কৰ্মচাৰীৰ সংখ্যাগৰিষ্ঠতা আছিল।

ভাৰতীয় ব্যৱস্থাপক সভাৰ কাৰ্য পৰিসৰো বৃদ্ধি কৰা হৈছিল। প্ৰাদেশিক ব্যৱস্থাপক সভাবোৰৰ বাবে বিস্তৃত পৰিসৰত নিয়াৰিকৈ শাসন প্ৰস্তুত কৰা হৈছিল। যিকোনো সদস্যই কৰ সম্পৰ্কে, নতুন ঋণ বা আন যিকোনো প্ৰস্তাৱ অৰ্থনৈতিক কাৰ্য বিৱৰণীত আগবঢ়াব পাৰিছিল। সদস্যসকলে সাধাৰণ প্ৰশ্ন আৰু পৰিপূৰক



প্ৰশ্ন সুধিব পাৰে। কিন্তু সেই বিভাগীয় তত্ত্বাবধায়ক সদস্যজনে পৰিপূৰক প্ৰশ্নৰ উত্তৰ লগে লগে নিদিবও পাৰে আৰু উত্তৰৰ বাবে তেওঁ সময় বিচাৰিব পাৰে। এই আইনৰ জৰিয়তে বোম্বে, মাদ্ৰাজ আৰু বেঙ্গলৰ কাৰ্যবাহী পৰিষদৰ সদস্যৰ সংখ্যা ২ জনৰ পৰা ৪ জনলৈ বৃদ্ধি কৰা হৈছিল। লেফটেনেণ্টে গভৰ্ণৰৰ প্ৰদেশতো কাৰ্যবাহী পৰিষদলৈ নিয়োগ কৰা হৈছিল। এচ. পি, সিনহাক গভৰ্ণৰ জেনেৰেলৰ কাৰ্যবাহী পৰিষদৰ সদস্য নিয়োগ কৰা হৈছিল।

মণ্টেগু চেমচফোৰ্ড ৰিপোৰ্টৰ সম্প্ৰসাৰিত ৰূপত ভাৰত চৰকাৰ আইন ১৯১৯ প্ৰস্তুত কৰা হৈছিল। আইনখনৰ লক্ষ্য আছিল প্ৰদেশসমূহত আংশিকভাৱে দায়িত্বশীল চৰকাৰ প্ৰৱৰ্তন কৰা। ই কেন্দ্ৰীয় আৰু প্ৰাদেশিক বিষয়ৰ এখন তালিকা প্ৰস্তুত কৰিছিল। কেন্দ্ৰীয় বিষয়বোৰৰ অন্তৰ্ভুক্ত আছিল প্ৰতিৰক্ষা, বৈদেশিক আৰু ৰাজনৈতিক সম্পৰ্ক, শুল্ক ডাক তাঁৰ আৰু টেলিগ্ৰাফ, মুদ্ৰা যাতায়ত আদি। আনহাতে প্ৰাদেশিক সূচীত থকা বিষয়বোৰ আছিল স্থানীয় স্বায়ত্ত শাসন, জনস্বাস্থ্য, শিক্ষা, ৰাজহুৱা পথ, জলসিঞ্চন, কৃষি আদি। এই আইনে গৰিষ্ঠসংখ্যক সদস্যৰ নিৰ্বাচনৰ ব্যৱস্থা প্ৰচলন কৰিছিল। প্ৰাদেশিক ব্যৱস্থাপক সভাৰ কলেৱৰ বৃদ্ধি কৰি ৭০ শতাংশ সদস্য নিৰ্বাচিত কৰিছিল। ব্যৱস্থাপক সভাবোৰৰ কাৰ্যকাল ৩ বছৰ নিৰ্দ্ধাৰণ কৰা হৈছিল। সদস্যসকলক সাধাৰণ আৰু পৰিপূৰক প্ৰশ্ন সোধাৰ ক্ষমতা প্ৰদান কৰিছিল। এই আইনৰ দ্বাৰা প্ৰদেশবোৰত দ্বৈত শাসনৰ প্ৰৱৰ্তন কৰা হৈছিল। প্ৰাদেশিক বিভাগবোৰক সংৰক্ষিত (Reserved) আৰু স্থানান্তৰিত (Transferred) বিষয়ত ভাগ কৰা হৈছিল। সংৰক্ষিত বিভাগসমূহ (বিত্ত, আইন শৃংখল আদি) গভৰ্ণৰৰ ওচৰত দায়িত্বশীল সন্মানীয় সদস্য এজনৰ নেতৃত্বত অৰ্পণ কৰা হৈছিল। দ্বৈত শাসন প্ৰৱৰ্তন কৰা প্ৰদেশবোৰ আছিল— বেঙ্গল, বিহাৰ, অসম, মাদ্ৰাজ, বোম্বে, পঞ্জাৱ, উত্তৰ প্ৰদেশ আৰু মধ্যপ্ৰদেশ।

১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য আছিল প্ৰদেশসমূহৰ পৰা দ্বৈত পদ্ধতিৰ চৰকাৰ উঠাই দিয়া আৰু সংৰক্ষিত আৰু স্থানান্তৰিত বিষয়াৰ পাৰ্থক্যৰ বিলোপ সাধন কৰা। সমগ্ৰ প্ৰাদেশিক শাসন ব্যৱস্থা জনপ্ৰিয়, মন্ত্ৰী পৰিষদৰ হাতত অৰ্পণ কৰা হৈছিল। এতিয়াৰে পৰা গভৰ্ণৰে মন্ত্ৰীসকলৰ

পৰামৰ্শক্ৰমে শাসন পৰিচালনা কৰিছিল। প্ৰাদেশিক ব্যৱস্থাপক সভাত থকা সংখ্যা গৰিষ্ঠ দলৰ দলপতিজনৰ সন্মতি সাপেক্ষে প্ৰাদেশিক মন্ত্ৰীসভা গঠন কৰা হৈছিল।

## অৰ্থনৈতিক বিকেন্দ্ৰীকৰণ (Financial Decentralisation) ঃ

অৰ্থনীতি হ'ল প্ৰশাসনৰ মূল মেৰুদণ্ড আৰু অৰ্থ অবিহনে প্ৰশাসন বাধাপ্ৰাপ্ত হয়। শক্তিশালী অৰ্থভাণ্ডাৰ আৰু শৃংখলাবদ্ধ সুসংগঠিত অৰ্থনৈতিক নীতি অবিহনে কোনো উন্নয়নমূলক কাম বা সংস্কাৰ সাধন হ'ব নোৱাৰে। ১৮৩৩ চনৰ আগতে প্ৰদেশবোৰে উল্লেখযোগ্য অৰ্থনৈতিক স্বাধীনতা লাভ কৰিছিল। ১৮৩৩ চনৰ চাৰ্টাৰ এক্টে অৰ্থনৈতিক কেন্দ্ৰীয়কৰণৰ পদ্ধতি প্ৰৱৰ্তন কৰিছিল। গভৰ্ণৰ জেনেৰেলৰ পূৰ্ব অনুমোদন অবিহনে প্ৰাদেশিক চৰকাৰবোৰৰ কোনো নতুন কাৰ্যালয় মুকলি কৰা, নতুন দৰমহা মুকলি কৰি দিয়া, ভাট্টা প্ৰদান, গ্ৰেচুউটি প্ৰদানৰ কোনো ক্ষমতা নাছিল। প্ৰাদেশিক ৰাজহৰ ওপৰত প্ৰদেশখনৰ কোনো অধিকাৰ বা কৰ্তৃত্ব নাছিল। তেওঁলোক মাত্ৰ ভাৰত চৰকাৰৰ সাধাৰণ পৰিচালক প্ৰতিনিধি। প্ৰতিবছৰৰ শেষৰফালে প্ৰতিখন প্ৰাদেশিক চৰকাৰে পৰৱৰ্তী বছৰৰ বাবে খৰচৰ হিচাব গভৰ্ণৰ জেনেৰেল-ইন-কাউন্সিলৰ ওচৰত দাখিল কৰিব লাগিছিল। গভৰ্ণৰ জেনেৰেল-ইন- কাউন্সিলে ৰাজ্যখনৰ পৰা সংগ্ৰহ হোৱা ৰাজহৰ সৈতে তুলনা কৰি প্ৰাদেশিক প্ৰশাসনৰ বাবে ধনৰ অনুমোদন কৰিছিল। এনে পদ্ধতি ১৮৭০ চনলৈ চলি আছিল।

প্ৰায় সকলো ইংৰাজ বিষয়াই ৰাজহৰ সংস্কাৰৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। ১৮৬০ চনত জেনেৰেল ডিকেন্‌চে ৰাজহ বিকেন্দ্ৰীকৰণৰ বাবে পৰামৰ্শ দিছিল। সেই সময়ত গভৰ্ণৰ জেনেৰেল কাউন্সিলৰ ৰাজহ সচিব মিঃ লেঙে (Mr. Lang) ৰাজহ ব্যৱস্থাত থকা ত্ৰুটিবোৰ দেখুৱাই দিছিল। আনহাতে চাৰ ৰিচাৰ্ড ষ্ট্ৰেচিয়ে ৰাজহৰ কেন্দ্ৰীকৰণ ব্যৱস্থাৰ সমালোচনা কৰিছিল। তেওঁ ১৮৬৭ চনত প্ৰাদেশিক ৰাজহৰ পুনৰ গঠনৰ বাবে এখনি আঁচনি প্ৰস্তুত কৰিছিল।

ৰাজহ বিকেন্দ্ৰীকৰণৰ দিশত ১৮৭০ চনত লৰ্ড মেয়ৰ (Lord Mayo) প্ৰস্তাৱটো আছিল প্ৰথম গুৰুত্বপূৰ্ণ পদক্ষেপ। ইয়াৰ দ্বাৰা প্ৰদেশসমূহলৈ ৰাজহৰ আৰু ব্যয়ৰ বহুতো বিভাগ স্থানান্তৰ কৰা হৈছিল। ইয়াৰ উপৰিও কেন্দ্ৰীয় চৰকাৰে



এটা নিৰ্দিষ্ট বছৰেকীয়া অনুদান আগবঢ়াব লাগিছিল। যদি অতিৰিক্ত ঘাটি হয় ইয়াক স্থানীয় কৰ আৰু ব্যয় সংকোচন নীতিৰে পূৰণ কৰিব লাগিছিল। প্ৰাদেশিক চৰকাৰে ৰাহি বা সঞ্চয় কৰা ধন পৰৱৰ্তী সময়ত প্ৰাদেশিক চৰকাৰে সেই ধন খৰচ কৰিব পাৰিছিল। প্ৰাদেশিক চৰকাৰক মাহিলী ২৫০ টকাৰ তলৰ দৰমহা লাভ কৰা পদত মকৰল কৰাৰ ক্ষমতা প্ৰদান কৰা হৈছিল। ইয়াৰ ফলত প্ৰাদেশিক চৰকাৰবোৰে অৰ্থনৈতিক দিশত অনুপ্ৰেৰণা লাভ কৰিছিল।

লৰ্ড লিটনৰ সময়ত পুনৰ ৰাজহ বিকেন্দ্ৰীকৰণ কৰা হৈছিল। লৰ্ড লিটনৰ ৰাজহ সচিব চাৰ জন ষ্ট্ৰেচিয়ে ১৮৭৭ চনত এখন আঁচনি উত্থাপন কৰিছিল। এই আঁচনিৰ জৰিয়তে বহু বিভাগ যেনে ভূমি ৰাজহ, আবকাৰী, ষ্টাম্প, ষ্টেচনাৰী আইন আৰু ন্যায় আদি প্ৰদেশসমূহলৈ স্থানান্তৰিত কৰা হৈছিল। প্ৰদেশসমূহে অতিৰিক্ত ৰাহি ধন কেন্দ্ৰীয় চৰকাৰৰ সৈতে ১/২ অংশ ভাগ বটোৱাৰা কৰিছিল। একেদৰে প্ৰাদেশিক চৰকাৰবো যদি ঘাটি হয় তেতিয়া কেন্দ্ৰীয় চৰকাৰে সেই ঘাটি অংশ পূৰণৰ ব্যৱস্থা কৰিছিল।

লৰ্ড ৰিপনৰ সময়ছোৱাত লৰ্ড ক্ৰমাৰে পুনৰ পৰিৱৰ্তন কৰি ১৮৮২ চনত ৰাজহৰ বিকেন্দ্ৰীকৰণ কৰিছিল। তেওঁৰ সময়ত ৰাজকীয় পদ্ধতি বিভাজিত শিতানৰ পৰা হোৱা আয় কেন্দ্ৰীয় আৰু প্ৰাদেশিক চৰকাৰৰ মাজত সমানে ভাগ হৈছিল। এনে ব্যৱস্থা ৫ বছৰৰ বাবে সম্পন্ন কৰা হৈছিল আৰু এই ব্যৱস্থাৰ ১৮৮৭, ১৮৯২ আৰু ১৮৯৭ চনত পুনৰ নৱীকৰণ কৰা হৈছিল।

১৯০৭ চনত ভাৰত চৰকাৰ আৰু প্ৰাদেশিক চৰকাৰৰ মাজৰ অৰ্থনৈতিক আৰু প্ৰশাসনিক সম্পৰ্কৰ দিশটোৰ অনুসন্ধান কৰাৰ বাবে এখন বিকেন্দ্ৰীকৰণ কমিটী নিয়োগ কৰা হৈছিল। ভাৰতৰ ৰাজ্যিক উপ-সচিব (Under Secretary of State for India) হবহাউচ (Hobhouse) ইয়াৰ সভাপতি আছিল। ইয়ে বহুতো বিষয়ত অনুমোদন জনাইছিল আৰু সেইবোৰ আছিল— প্ৰদেশসমূহক নিৰ্দিষ্ট কৰি দিয়া ৰাজহৰ ওপৰত গভৰ্ণৰ জেনেৰেলে কোনো ধৰণৰ হস্তক্ষেপ কৰিব নোৱাৰিব আৰু বিভাজিত শিতানৰ পৰা প্ৰদেশসমূহৰ বাবে কৰা ভাগ বিতৰণ প্ৰদেশখনৰ আৱশ্যকতাৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব। ভাৰত চৰকাৰে

বিকেন্দ্ৰীকৰণ কমিচনৰ অনুমোদন গ্ৰহণ কৰিছিল আৰু ১৯১২ চনত প্ৰাদেশি ৰাজহৰ ওপৰত এটা প্ৰস্তাৱ গৃহীত কৰিছিল। এই প্ৰস্তাৱ অনুসৰি প্ৰচলিত প্ৰাদেশি বন্দোৱস্ত কিছু সংশোধনীৰে স্থায়ী ঘোষণা কৰিছিল। কিছুমান প্ৰাদেশিক আৰু আংশিক প্ৰাদেশিক এই দুটা ৰাজহ বিভাগ সৃষ্টি কৰা হৈছিল। ভাৰত চৰকাৰ নিয়ন্ত্ৰণ একমাত্ৰ বিভাজিত বিষয়ত সীমাবদ্ধ কৰা হৈছিল আৰু সৰ্বমুঠ ৰাজহ ব্যয় ওপৰত নিয়ন্ত্ৰণ নিৰ্দিষ্ট কৰা হৈছিল।

ভাৰতীয় সাংবিধানিক সংস্কাৰ ১৯১৯ ৰ ওপৰত প্ৰস্তুত কৰা ৰিপৰ্টৰ স্ৰষ্ট (Authors) সকলে প্ৰদেশৰ বাবে ৰাজহৰ পৃথক উৎসত অনুমোদন জনাইছিল। ই কেন্দ্ৰীয় ৰাজহৰ পৰা প্ৰাদেশিক ৰাজহৰ পৃথকীকৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছি আৰু বিভাজিত বিষয় বাতিল কৰাৰ ওপৰত গুৰুত্ব দিছিল। কেন্দ্ৰীয় আৰু প্ৰাদেশি সূচী এনেদৰে প্ৰস্তুত কৰা হৈছিল যে দুয়োটা ভাগৰ মাজত যাতে কেতিয়াও সংঘাত নহয়। কোনো বিষয়ক লৈ কেতিয়াবা কেন্দ্ৰীয় আৰু প্ৰদেশৰ মাজত বিবাদ হ'লে গভৰ্ণৰ জেনেৰেল-ইন-কাউন্সিলে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিছিল। ৪৭ টা বিভাগ বা বিষয় কেন্দ্ৰীয় সূচীত অন্তৰ্ভুক্ত হৈছিল। আনহাতে ৫২ টা বিষয় প্ৰাদেশিক সূচীত অন্তৰ্ভুক্ত হৈছিল। এই বন্দোৱস্তীৰ ফলত কেন্দ্ৰীয় বাজেটত ১০কোটিৰ ঘাটি সৃষ্টি কৰিছিল। তেতিয়া মেষ্টন কমিটীয়ে অনুমোদন জনাইছিল যে প্ৰদেশবোৰে কেন্দ্ৰীয় ঘাটি পূৰণ কৰিব লাগিব আৰু সেই পৰামৰ্শ অনুসৰি প্ৰদেশবোৰে ১৯২১-২২ চনত কেন্দ্ৰীয় চৰকাৰক প্ৰদান কৰা বৰঙণি আছিল—

| | | | |
|---|---|---|---|
| মাদ্ৰাজ প্ৰদেশ | — | ৩৪৮ | লাখ |
| বোম্বে প্ৰদেশ | — | ৫৬ | ,, |
| বেঙ্গল প্ৰদেশ | — | ৩৬ | ,, |
| পঞ্জাব প্ৰদেশ | — | ১৭৫ | ,, |
| সংযুক্ত প্ৰদেশ | — | ২৪০ | ,, |
| অসম | — | ১৫ | ,, |
| বাৰ্মা | — | ৬৪ | ,, |
| মধ্যপ্ৰদেশ আৰু বেৰাৰ | — | ২২ | ,, |



১৯১৯ মণ্টফোৰ্ড সংস্কাৰৰ পিছতো প্ৰাদেশিক ৰাজহৰ ওপৰত বহুতো প্ৰতিবন্ধকতা আছিল। নিয়োগ আৰু দৰমহাৰ ওপৰত প্ৰদেশসমূহৰ কোনো নিয়ন্ত্ৰণ নাছিল।

ভাৰত চৰকাৰ আইন ১৯৩৫ য়ে প্ৰাদেশিক স্বায়ত্ত শাসন প্ৰবৰ্তন কৰিছিল। এইখন আইনে তিনিটা বিষয়ৰ সৃষ্টি কৰিছিল। সংযুক্ত চৰকাৰে ফেডাৰেল সংযুক্ত সূচীৰ অন্তৰ্ভুক্ত বিষয়ৰ ওপৰত আইন প্ৰণয়ন কৰিব পাৰিছিল আৰু প্ৰাদেশিক চৰকাৰে ৰাজ্যিক সূচীৰ অন্তৰ্ভুক্ত বিষয়ৰ ওপৰত আইন প্ৰণয়ন কৰিব পাৰিছিল। আনহাতে সমৱৰ্তী সূচীৰ অন্তৰ্ভুক্ত বিষয়ৰ ওপৰত সংযুক্ত আৰু ৰাজ্যিক আইন পৰিষদে আইন প্ৰণয়ন কৰিব পাৰিছিল। এনেদৰে বহুতো বিষয়ৰ ওপৰত প্ৰদেশবোৰক কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণৰ পৰা মুক্ত কৰিছিল।

## VI. স্থানীয় প্ৰশাসন (Local Bodies) : (19)

১৮৬১ চনত আৰম্ভ হোৱা আইন প্ৰস্তুতকাৰী আঁচনি আৰু অৰ্থনৈতিক বিকেন্দ্ৰীকৰণ ব্যৱস্থাই নগৰীয়া স্বায়ত্ত শাসন আৰু জিলা বোৰ্ডৰ ৰূপত স্থানীয় প্ৰশাসনৰ উন্নয়ন সম্ভৱ হৈছিল। ১৯ শতিকাত উদ্যোগ বিপ্লৱে ক্ৰমে ইউৰোপীয়ান অৰ্থনীতি আৰু সমাজৰ পৰিৱৰ্তন ঘটাইছিল। ইউৰোপৰ সৈতে ভাৰতৰ সম্পৰ্ক স্থাপন আৰু নতুন ৰূপৰ সাম্ৰাজ্যবাদ আৰু অৰ্থনৈতিক শোষণে অৰ্থ, জনস্বাস্থ্য আৰু শিক্ষাত আগবঢ়া কিছুমান ইউৰোপীয়ানৰ কাৰণে ভাৰতত নিজকে নিয়োজিত কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। তাৰোপৰি ভাৰতীয় জাতীয়তাবাদী আন্দোলনৰ উত্থানেও সামাজিক জীৱনত আধুনিক উন্নয়ন বা আধুনিকতাৰ প্ৰচলনৰ অপৰিহাৰ্য্য হৈ পৰিছিল। এনেদৰে সাধাৰণ প্ৰজাৰ শিক্ষা, স্বাস্থ্য, পানী যোগান, উন্নত পথ আৰু আন সামাজিক উন্নয়নৰ প্ৰয়োজনীয়তা অনুভৱ হৈছিল। চৰকাৰেও বেছি দিনলৈ এনে প্ৰয়োজনীয়তাক অৱজ্ঞা কৰি থাকিব পৰা নাছিল।

আৰম্ভণিতে চৰকাৰে গাঁওলীয়া অঞ্চলৰ স্থানীয় কাৰ্যৰ প্ৰশাসনৰ বাবে কোনো নিৰ্দিষ্ট আঁচনি গ্ৰহণ কৰা নাছিল। প্ৰচলিত অনুষ্ঠানৰ যোগেদি কামবোৰ সম্পন্ন

বঙ্গদেশত ১৮১৬ চনত জাহাজ পৰিচালনা আৰু পথ, দলং আৰু না
কৰিছিল। বঙ্গদেশত ১৮১৬ চনত জাহাজ পৰিচালনা আৰু পথ, দলং আৰু নাৰ
মেৰামতি আৰু নিৰ্মাণৰ বাবে কৰ সংগ্ৰহ কৰিবলৈ আইন গ্ৰহণ কৰিছিল। এনেদ
সংগ্ৰহ কৰা ধন বা পুঁজি ব্যৱহাৰ কৰিবলৈ চৰকাৰে নিয়োগ কৰা মেজিষ্ট্ৰেটসকল
পৰামৰ্শ দিছিল।

বংগৰ বাহিৰত ভূমিৰ ওপৰত কৰ বহুৱাই প্ৰয়োজনীয় পুঁজি সংগ্ৰহ কৰিছি
১৮৬৯ চনত আইনৰ সহায়ত বোম্বেত পুঁজি সংগ্ৰহৰ বিষয়টোৰ এটা নিৰ্দিষ্ট ভে
গঢ় দিয়া হৈছিল। এই আইনে কৰ নীতিসিদ্ধ কৰি লৈ ৰাজহুৱা কামৰ বাবে খ
কৰাৰ ব্যৱস্থা কৰিছিল। ইয়াৰ দ্বাৰা পুঁজি পৰিচালনা কৰিবলৈ জিলা আৰু মহকুম
বাবে কমিটী গঠন কৰিছিল। একেদৰে নগৰ পৰিচালনাৰ আৱশ্যকীয়তা স্বীক
কৰা হৈছিল আৰু ১৮৬৪ আৰু ১৮৬৮ চনত বঙ্গৰ বাবে, ১৮৬৫ চনত মাদ্ৰাজ
বাবে, ১৮৬৭ চনত পঞ্জাবৰ বাবে আৰু ১৮৬৮ চনত উত্তৰ পশ্চিম প্ৰদেশৰ বা
আইন প্ৰণয়ন কৰা হৈছিল।

১৮৭০ চনৰ ভাৰত চৰকাৰৰ প্ৰস্তাৱৰ যোগেদি স্থানীয় স্বায়ত্ত শাসনৰ বিকাশ
গুৰুত্ব প্ৰদান কৰা হৈছিল আৰু নগৰ পৰিচালনা অনুষ্ঠানৰ শক্তি বৃদ্ধিত গুৰু
প্ৰদান কৰিছিল। ইয়াৰ পৰিণতি হিচাবে ১৮৭১ চনত মাদ্ৰাজ, ১৮৭৩ চনত বোম্বে
বংগ, উত্তৰ-পশ্চিম প্ৰদেশ, পঞ্জাব আৰু চেণ্ট্ৰেল প্ৰদেশবোৰৰ বাবে আৰু ১৮৭
চনত বাৰ্মাৰ বাবে মিউনিচিপাল এক্ট প্ৰণয়ন কৰা হৈছিল। এই আইনবো
মিউনিচিপাল বোৰ্ডৰ উপকাৰিতা বঢ়াইছিল।

স্থানীয় স্বায়ত্ব শাসনৰ বিকাশত লৰ্ড মেয়ৰ ভূমিকা গুৰুত্বপূৰ্ণ। অৰ্থনৈতি
বিকেন্দ্ৰীকৰণ বিষয়ত ১৮৭০ চনৰ তেওঁৰ প্ৰস্তাৱত লৰ্ড মেয়ই স্থানীয় স্বাৰ্থ আগ
আনিবলৈ আৰু শিক্ষা, স্বাস্থ্য আৰু জন কল্যাণ আদিলৈ আগবঢ়োৱা পুঁজিৰ ক্ষেত্ৰ
কৰা প্ৰশাসনৰ কাম-কাজ পৰ্যবেক্ষণ কৰিবলৈ আৰু পদক্ষেপ লোৱাৰ আৱশ্যকত
বিষয়ে উল্লেখ কৰিছিল। লৰ্ড মেয়ৰ মতে ১৮৭০ চনৰ তেওঁৰ প্ৰস্তাৱে সম্পূ
অৰ্থত নগৰীয়া অনুষ্ঠানবোৰ শক্তিশালী কৰাৰ বাবে স্ব-শাসনৰ বিকাশত সম্পূ
সুযোগ প্ৰদান কৰিছিল আৰু সেই সময়লৈ প্ৰশাসনিক কাম-কাজত স্থানীয় আ
ইউৰোপীয়ান অনুষ্ঠানবোৰকে বহু সুযোগ প্ৰদান কৰিছিল।



কিন্তু ভাৰতৰ স্থানীয় স্বায়ত্ত শাসনৰ বিকাশত সম্ভৱত লৰ্ড ৰিপনৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। ১৮৮১ চনত গৃহীত কৰা এটা প্ৰস্তাৱত ৰিপনে দৃঢ়তাৰে প্ৰকাশ কৰিছিল যে লৰ্ড মেয়ৰ চৰকাৰৰ আঁচনি উন্নত কৰাৰ বাবে পৰৱৰ্তী পদক্ষেপ লোৱাৰ সময় আহি পৰিছে। তেওঁ অকল প্ৰশাসনিক দক্ষতা বৃদ্ধি কৰাৰ বাবেই স্থানীয় স্বায়ত্ত শাসনৰ উন্নতিত গুৰুত্ব দিয়া নাছিল, ৰাজনৈতিক আৰু জনপ্ৰিয় শিক্ষাৰ এটা উপায় হিচাবেও ইয়াৰ বিকাশত জোৰ দিছিল। তেওঁ প্ৰাদেশিক চৰকাৰৰ ওপৰতো গুৰুত্ব দিছিল যাতে সেইবোৰে স্থানীয় নিকায়বোৰত লৰ্ড মেয়ই প্ৰচলন কৰা অৰ্থনৈতিক বিকেন্দ্ৰীকৰণৰ নীতিবোৰ প্ৰয়োগ কৰিব পাৰে। স্থানীয় নিকায়বোৰলৈ হস্তান্তৰ কৰা বিষয়বোৰৰ ক্ষেত্ৰত পৰামৰ্শ দিবলৈ লৰ্ড ৰিপনে প্ৰাদেশিক চৰকাৰবোৰক নিৰ্দেশ দিছিল। লৰ্ড ৰিপনে কৈছিল যে যদি স্থানীয় নিকায়বোৰ সম্পূৰ্ণৰূপে হস্তক্ষেপ আৰু নিয়ন্ত্ৰণত ৰখা হয় তেতিয়া হ'লে স্থানীয় নিকায়বোৰৰ পৰা প্ৰকৃত বিকাশ বা উন্নয়ন আশা কৰিব নোৱাৰিব। সেইবাবে তেওঁ ১৮৮২ চনত এই দিশত এটা সঠিক পদক্ষেপ গ্ৰহণ কৰিছিল যেতিয়া তেওঁ স্থানীয় স্বায়ত্ত শাসনৰ ওপৰত তেওঁৰ বিখ্যাত প্ৰস্তাৱ প্ৰণয়ন কৰিছিল। তেওঁ স্পষ্টভাৱে উল্লেখ কৰিছিল যে স্থানীয় প্ৰশাসনৰ সম্প্ৰসাৰণে সুস্থ প্ৰশাসনিক দক্ষতা প্ৰকাশ কৰিব নোৱাৰে। তেওঁৰ মতে প্ৰশাসনৰ উন্নয়নৰ বাবে ইয়াক গঠন কৰা হোৱা নাই। ই হ'ল ৰাজনৈতিক আৰু জনপ্ৰিয় কাম কাজৰ এটা আহিলাহে। তেওঁ নিশ্চিত আছিল যে যদি প্ৰাদেশিক চৰকাৰী কৰ্মচাৰীয়ে জনসাধাৰণক সম্পূৰ্ণ সমৰ্থন আৰু উৎসাহ প্ৰদান কৰে, এই ব্যৱস্থাই দক্ষতা প্ৰকাশত সুযোগ পাব। কাৰ্যত ৰাজ্যখনত স্থানীয় স্বায়ত্ত শাসনক উপযুক্তভাৱে কাৰ্য কৰিব দিয়া নাই বুলি তেওঁ বিশ্বাস কৰিছিল। কৰ্মচাৰী বা বিষয়াসকলৰ অহেতুক আৰু অপ্ৰয়োজনীয় হস্তক্ষেপে পূৰ্বতে জনসাধাৰণক মুক্তভাৱে কাম কৰাৰ প্ৰচেষ্টাত বাধা প্ৰদান কৰিছিল।

তেওঁ প্ৰাদেশিক চৰকাৰক প্ৰতিখন জিলালৈ লোকেল বোৰ্ডৰ কাৰ্যক্ষেত্ৰ সম্প্ৰসাৰণ কৰিবলৈ আৰু পৰিচালনা কৰিবলৈ পৰামৰ্শ দিছিল। জনসাধাৰণৰ স্বাৰ্থ ৰক্ষা কৰিব পৰাকৈ প্ৰতিখন লোকেল বোৰ্ডৰ আকাৰ অতি কম হোৱাৰ

ওপৰত গুৰুত্ব আৰোপ কৰিছিল আৰু সকলো মানুহৰ প্ৰত্যক্ষ অংশগ্ৰহণৰ ওপৰত গুৰুত্ব দিছিল। তাৰোপৰি তেওঁ সেই স্থানীয় নিকায়বোৰত অনা-কৰ্মচাৰী সদস্য সংখ্যাগৰিষ্ঠ হোৱাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল আৰু কৰ্মচাৰীৰ সংখ্যা কোনো ক্ষেত্ৰতে সৰ্বমুঠ সদস্যৰ ⅓ অংশতকৈ যাতে বেছি নহয় তাৰ ওপৰত জোৰ দিছিল। প্ৰয়োজন অনুসৰি স্থানীয় নিকায়বোৰৰ বাবে প্ৰত্যক্ষ নিৰ্বাচনৰ নীতি প্ৰৱৰ্তন কৰাৰ ওপৰত গুৰুত্ব দিছিল।

স্থানীয় স্বায়ত্ত শাসন নিকায়বোৰৰ ওপৰত চৰকাৰৰ নিয়ন্ত্ৰণ সম্পৰ্কে গ্ৰহণ কৰা প্ৰস্তাৱত সন্নিবিষ্ট কৰা হৈছিল যে স্থানীয় নিকায়বোৰৰ ওপৰত চৰকাৰৰ নিয়ন্ত্ৰণ বাহিৰৰ পৰাহে হ'ব লাগিব, ভিতৰৰ পৰা নহয়। প্ৰাদেশিক চৰকাৰবোৰে স্থানীয় নিকায়বোৰৰ কাম-কাজ আৰু নীতিৰ সংশোধন আৰু নিয়ন্ত্ৰণ ৰখা উচিত কিন্তু তেওঁলোকক হুকুম দিয়া উচিত নহয়। আৰম্ভণিতে স্থানীয় নিকায়বোৰৰ কাম-কাজৰ বাবে চৰকাৰৰ অনুমোদনৰ প্ৰয়োজন হৈছিল, কিন্তু লাহে লাহে নিকায়বোৰক বহু বিষয়ত স্বাধীনতা দিবলৈ আৰম্ভ কৰিছিল। স্থানীয় চৰকাৰী নিকায়বোৰৰ কিছুমান কাৰ্যৰ বাবে চৰকাৰৰ বৈধ বা নীতিগত অনুমোদনৰ প্ৰয়োজন হৈছিল আৰু সেই বিষয়বোৰ আছিল ঋণৰ পৰিমাণ বৃদ্ধি কৰা, নিৰ্দিষ্ট ধনতকৈ অতিৰিক্ত ব্যয় কৰা, নগৰীয়া সম্পত্তিৰ হস্তান্তৰকৰণ, স্থানীয় নিকায়বোৰে প্ৰস্তুত কৰিব পৰা বিধি আৰু উপবিধি বলবৎ আদি। যদি স্থানীয় নিকায়বোৰে তেওঁলোকৰ কৰ্তব্য পালনত অৱহেলা কৰে তেতিয়া চৰকাৰে বোৰ্ডৰ কাৰ্যাৱলী বাতিল কৰিব পাৰে বা তেওঁলোকৰ কাৰ্য ৰদ কৰিব পাৰে। ভাৰত চৰকাৰৰ পূৰ্ব অনুমতি সাপেক্ষে সম্পূৰ্ণ দমন ক্ষমতা প্ৰয়োগ কৰা হৈছিল। ভাৰতত স্থানীয় স্বায়ত্ত শাসনৰ উন্নয়নৰ ক্ষেত্ৰত আগবঢ়োৱা মূল্যবান বৰঙণিৰ বাবে লৰ্ড ৰিপনক স্থানীয় স্বায়ত্ত শাসনৰ পিতৃ বুলি কোৱা হয়।

লৰ্ড ৰিপনৰ আঁচনি সু-অভিপ্ৰেত আছিল যদিও তেওঁ আশা কৰা মতে ফলপ্ৰসূ উন্নয়ন হোৱা নাছিল। ১৮৮৩ আৰু ১৮৮৫ চনৰ মাজৰ সময়ছোৱাত বিভিন্ন প্ৰাদেশিক চৰকাৰে বহুতো আইন প্ৰণয়ন কৰিছিল আৰু এইবোৰে মিউনিচিপাল গোটবোৰৰ সংবিধান ক্ষমতা আৰু কাৰ্যাৱলীৰ গুৰুত্বপূৰ্ণ



পৰিৱৰ্তন সাধন কৰিছিল। কিন্তু ভাৰতীয় আমোলাসকলৰ নিষ্ক্ৰিয় ভূমিকাৰ বাবে ই স্থবিৰ হৈ পৰিছিল। লৰ্ড ৰিপনৰ উত্তৰাধিকাৰীসকল তেওঁৰ দৰে উদাৰ নাছিল আৰু তেওঁলোক প্ৰশাসনিক ক্ষমতাৰ ওপৰত ৰাজনৈতিক শিক্ষা প্ৰদানৰ বাবে ইচ্ছুক নাছিল। সাম্ৰাজ্যবাদৰ এজন উচ্চ পুৰোহিত লৰ্ড কাৰ্জনে আকৌ স্থানীয় অনুষ্ঠান বা গোটৰ ওপৰত চৰকাৰী নিয়ন্ত্ৰণ বৃদ্ধি কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছিল।

১৯০৭ চনত ক্ষমতা বিকেন্দ্ৰীকৰণৰ ওপৰত পৰ্যবেক্ষণ কৰি ৰিপৰ্ট দাখিল কৰিবলৈ ৰয়েল কমিচন গঠন কৰিছিল। ভাৰত চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সৈতে প্ৰাদেশিক চৰকাৰ আৰু স্থানীয় নিকায়বোৰৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক সম্পৰ্কৰ দিশটো অধ্যয়ন কৰিবলৈ আৰু বিভিন্ন পৰ্যায়ত চৰকাৰী পদ্ধতি উন্নত কৰিবলৈ বহু বেছি বিকেন্দ্ৰীকৰণৰ প্ৰয়োজনৰ ওপৰত প্ৰতিবেদন দাখিল কৰিবলৈ এখন কমিচন নিয়োগ কৰিছিল। কমিচনে ১৯০৯ চনত দাখিল কৰা ৰিপৰ্টত উল্লেখ কৰিছিল যে লৰ্ড ৰিপনে ধাৰণা কৰা মতে ভাৰতীয় স্থানীয় নিকায়বোৰৰ উন্নতি হোৱা নাছিল আৰু কমিচনে স্থানীয় নিকায়বোৰৰ উন্নয়নৰ বাবে কিছু পদক্ষেপ গ্ৰহণ কৰিবলৈ পৰামৰ্শ প্ৰদান কৰিছিল। ৰয়েল কমিচনে বিকেন্দ্ৰীকৰণৰ ওপৰত অনুমোদন জনোৱা প্ৰধান পৰামৰ্শবোৰ আছিল—

১। গাঁওক স্থানীয় স্বায়ত্ত শাসন অনুষ্ঠানসমূহৰ ভিতৰত মূল শাখা হিচাবে গণ্য কৰিব লাগিব আৰু প্ৰতিখন গাঁওৰে এখন পঞ্চায়ত থাকিব। নগৰীয়া অঞ্চলবোৰত পৌৰ নিকায় বা মিউনিচিপালিটি গঠন কৰিব লাগিব।

২। স্থানীয় নিকায়বোৰে সংখ্যাগৰিষ্ঠ সদস্য নিৰ্বাচন কৰিব।

৩। পৌৰ নিকায়বোৰে তেওঁলোকৰ প্ৰেচিডেণ্টজন নিৰ্বাচন কৰিব যদিও জিলা লোকেল বোৰ্ডৰ সভাপতি হিচাবে জিলা কলেক্টৰে কাৰ্যনিৰ্বাহ অব্যাহত ৰাখিব।

৪। পৌৰ নিকায়বোৰৰ নিজা বাজেট প্ৰস্তুত কৰাৰ কৃৰ্তত্ব থাকিব আৰু কৰ নিৰ্দ্ধাৰণ কৰিব। চৰকাৰে পানী যোগান, নলা আদিৰ দৰে জনকল্যাণমূলক কাম কৰাৰ বাবে পৌৰ নিকায়সমূহলৈ অনুদান আগবঢ়াব।

৫। স্থানীয় নিকায়বোৰৰ তেওঁলোকৰ কৰ্মচাৰীৰ ওপৰত সম্পূৰ্ণ নিয়ন্ত্ৰ
থাকিব।

৬। স্থানীয় ঋণ বৃদ্ধিৰ ক্ষেত্ৰত পৌৰ নিকায়ৰ ক্ষমতাৰ ওপৰত চৰকাৰে
নিয়ন্ত্ৰণ চলাব পাৰিব। পৌৰ নিকায়ৰ সম্পত্তি বিক্ৰী বা লীজত দিব
বাবে চৰকাৰে পূৰ্ব অনুমোদন বা অনুমতি ল'ব লাগিব।

৭। পৌৰ নিকায়বোৰৰ হাততে প্ৰাথমিক শিক্ষাৰ দায়িত্ব অৰ্পণ কৰা হৈছি
আৰু যদি তেওঁলোকৰ সম্পদে যদি সুযোগ দিয়ে বা হাতত ধ
থাকিলে ছেকেণ্ডাৰী স্কুল স্থাপনো কৰিব পাৰে।

বিকেন্দ্ৰীকৰণৰ ওপৰত দাখিল কৰা ৰয়েল কমিচনৰ ৰিপৰ্ট পৰীক্ষা কৰাৰ
পিছত ১৯১৫ চনত লৰ্ড হাৰ্ডিঞ্জে এটা প্ৰস্তাৱ প্ৰস্তুত কৰিছিল। এই প্ৰস্তাৱত ভাৰত
স্থানীয় চৰকাৰে কৰা উন্নতিৰ ক্ষেত্ৰত সন্তোষ প্ৰকাশ কৰা হৈছিল। ইয়ে এ
পদ্ধতিৰ কাম-কাজত থকা দুৰ্বল দিশবোৰ দেখুৱাই দিয়াৰ উপৰিও স্থানীয় স্বায়
শাসনৰ পুনৰ বিকাশ আৰু উন্নতিৰ ক্ষেত্ৰত কিছুমান পৰামৰ্শ আগবঢ়াইছিল। হাৰ্ডিঞ্জ
প্ৰস্তাৱত সন্নিবিষ্ট কিছুমান অনুমোদিত পৰামৰ্শ আছিল।

১। পৌৰ নিকায়বোৰত প্ৰকৃত নিৰ্বাচিত সংখ্যাগৰিষ্ঠতা থাকিব লাগিব
২। জিলা আৰু স্থানীয় বোৰ্ডবোৰত গৰিষ্ঠসংখ্যক অনা-কৰ্মচাৰী থাকিব লাগিব
৩। অসামৰিক আৰু বিচাৰ বিভাগৰ অধিকাৰ প্ৰদান কৰি নিৰ্বাচিত গাঁওত
গাঁও পঞ্চায়ত গঠন কৰিব লাগিব।

লৰ্ড হাৰ্জিঞ্জৰ প্ৰস্তাৱত সন্নিবিষ্ট অনুমোদিত পৰামৰ্শবোৰৰ বাস্তৱ ৰূপ দিয়
নহ'ল আৰু পৰৱৰ্তী কিছু বছৰৰ কাৰণে স্থানীয় স্বায়ত্ত শাসনৰ কোনো উন্নতি
হোৱা নাছিল।

১৯১৭ চনৰ আগষ্টৰ ঐতিহাসিক ঘোষণাত প্ৰকাশ কৰা হৈছিল যে
সাংবিধানিক অগ্ৰগতিৰ দিশত একগুৰুত্বপূৰ্ণ পদক্ষেপ আছিল ভাৰতৰ
জনসাধাৰণক এখন দায়িত্বশীল চৰকাৰ উপহাৰ দিয়া আৰু সেই আদৰ্শ উপলব্ধিৰ
ক্ষেত্ৰত প্ৰথম পদক্ষেপ আছিল স্থানীয় স্বায়ত্ত শাসন। ই প্ৰকাশ কৰিছিল যে ভাৰতত
বৃটিছ আঁচনিয়ে প্ৰশাসনৰ সকলো স্তৰতে ভাৰতীয়ৰ বৰ্দ্ধিত সহযোগিতা বিচাৰিছি



আৰু ভাৰতত দায়িত্বশীল চৰকাৰৰ অগ্ৰণী ধাৰণা সৃষ্টিৰ বাবে স্ব-শাসিত অনুষ্ঠানৰ ক্ৰমবিকাশ হোৱাটো বিচাৰিছিল। একে ধাৰণা ১৯১৮ চনৰ ভাৰত চৰকাৰৰ প্ৰস্তাৱত প্ৰকাশ পাইছিল। ইয়াত পুনৰ জোৰ দিয়া হৈছিল যে স্থানীয় স্বায়ত্ত শাসনৰ উদ্দেশ্য আছিল জনসাধাৰণক স্থানীয় কাম-কাজ আৰু ৰাজনৈতিক শিক্ষাৰ প্ৰশিক্ষণ দিয়া। মণ্টফোৰ্ড ৰিপৰ্টত পৰামৰ্শ দিয়া হৈছিল যে স্থানীয় নিকায়সমূহৰ ওপৰত সম্পূৰ্ণ নিয়ন্ত্ৰণ থকা উচিত আৰু বাহিৰৰ নিয়ন্ত্ৰণৰ পৰা সেইবোৰ যিমানদূৰ সম্ভৱ স্বাধীন হ'ব লাগে। ১৯১৭ চনৰ২০ আগষ্টৰ ঘোষণাৰ আধাৰত ১৯১৮ চনৰ ১০ মে'ত ভাৰত চৰকাৰৰ প্ৰস্তাৱত স্থানীয় স্বায়ত্ত শাসনৰ সমগ্ৰ বিষয় পুনৰীক্ষণ কৰা হৈছিল। স্থানীয় স্বায়ত্ত শাসনৰ উন্নয়নৰ কাৰণে আগবঢ়োৱা পৰামৰ্শবোৰ আছিল—

১। গাঁও পঞ্চায়তবোৰক গাঁৱলীয়া স্থানীয় চৰকাৰী অনুষ্ঠানৰ মূল শাখা হিচাবে পুনৰজীৱিত কৰা।
২। স্থানীয় নিকায় বা গোটসমূহে সংখ্যাগৰিষ্ঠ সদস্যক নিৰ্বাচন কৰিব।
৩। স্থানীয় কাউন্সিলবোৰৰ জনপ্ৰিয় ভেটি সবল কৰাৰ বাবে অধিকাৰ হ্ৰাস কৰা হৈছিল।
৪। মিউনিচিপাল কমিটীৰ কাৰ্যালয় চেয়াৰমেন বা সভাপতিজন আৰু আন গাঁৱলীয়া গোটবোৰৰ সভাপতিজন নিৰ্বাচিত অনা-কৰ্মচাৰী সভাপতিৰ দ্বাৰা স্থলাভিষিক্ত কৰা হ'ব।
৫। স্থানীয় নিকায়বোৰৰ বাজেট প্ৰস্তুত কৰা, কৰ আৰোপ কৰা আৰু কামৰ আবণ্টণ দিয়াৰ ক্ষেত্ৰত প্ৰচুৰ স্বাধীনতা থাকিব।
৬। স্থানীয় নিকায়বোৰত ভিতৰৰ কৰা নিয়ন্ত্ৰণ কৰা বন্ধ কৰা হৈছিল আৰু বাহিৰৰ পৰা নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত বাধা আৰোপ কৰা হৈছিল।
৭। **স্থানীয় নিকায়সমূহত সংখ্যালঘুসকলৰ মনোনীত প্ৰতিনিধিয়ে যোগদান কৰা সুবিধা পাব।**
৮। **স্থানীয় নিকায়বোৰৰ স্থায়ী বিষয়া আৰু কৰ্মচাৰী যেনে - সচিব, কাৰ্যবাহী বিষয়া, অভিযন্তা, স্বাস্থ্য বিষয়া আদিৰ সেৱাৰ অৱস্থাৰ বিষয়ে চৰকাৰে নিৰ্দ্ধাৰণ কৰিব।**

ভাৰত চৰকাৰ আইন ১৯১৯ প্ৰণয়নৰ লগে লগে স্থানীয় স্বায়ত্ত শাসনৰ এটা নতুন বিকাশৰ স্তৰ আৰম্ভ হৈছিল। এই আইনখনে দ্বৈত শাসন প্ৰৱৰ্তন কৰি প্ৰদেশবোৰত দায়িত্বশীল চৰকাৰৰ সূচনা কৰিছিল। দ্বৈত শাসনৰ অধীনত স্থানীয় স্বায়ত্ত শাসনক এটা 'স্থানান্তৰিত বিষয়ত পৰিণত কৰিছিল আৰু এজন ভাৰতীয় মন্ত্ৰীৰ তত্ত্বাৱধানত ৰাখি প্ৰাদেশিক আইনসভাৰ ওচৰত দায়িত্বশীল কৰিছিল। এনেদৰে এই আইনখনে স্থানীয় স্বায়ত্ত শাসনৰ ক্ষেত্ৰখনত এটা নতুন আগ্ৰহ উদ্দীপনা আৰু কাৰ্যৰ যুগৰ সূচনা কৰিছিল। ভিন ভিন প্ৰদেশে ভোটাধিকাৰৰ অৰ্হতা বা গুণ কমোৱাৰ বাবে আৰু স্থানীয় নিকায়বোৰত নিৰ্বাচিত সদস্যৰ সংখ্যা বৃদ্ধি কৰি এলানি আইন বলবৎ কৰিছিল। গাঁও পঞ্চায়তৰ বৃদ্ধিত উৎসাহ যোগোৱাৰ বাবে বিভিন্ন পদক্ষেপ লোৱা হৈছিল। যিয়ে নহওঁক স্থানীয় নিকায়বোৰে দক্ষতাৰে কাম কৰিব পৰা নাছিল আৰু ইয়াৰ মূল কাৰণ আছিল অৰ্থ সংকট। ১৯১৯ চনৰ আইনৰ অধীনতবিত্ত বিভাগটো 'সংৰক্ষিত' বিষয় কৰি লৈছিল আৰু চৰকাৰ স্থানীয় চৰকাৰী অনুষ্ঠানৰ সুস্থ কাম কাজৰ বাবে থিয় দিয়া জনপ্ৰিয় মন্ত্ৰীসকললৈ পৰ্যাপ্ত বিত্তৰ যোগান ধৰিবলৈ ইচ্ছুক নাছিল।

ভাৰতীয় ষ্টেটিউটৰি কমিচনে (Indian Statutory Commission) ১৯৩০ ভাৰতৰ স্থানীয় শাসনৰ কাম-কাজৰ এটা সমতাপূৰ্ণ বিৱৰণ প্ৰকাশ কৰিছিল। ইয়াত উল্লেখ কৰা হৈছিল যে ভাৰতৰ স্থানীয় চৰকাৰ উপশমহীন পৰাজয় (Unrlieved failure) ও হোৱা নাছিল আৰু অনিৰ্বাচনীয় সফলো (Unqualified Success) হোৱা নাছিল। ইয়াৰ পৰ্যবেক্ষণ মতে, প্ৰতিখন প্ৰদেশত যিসময়ত কিছু স্থানীয় নিকায়ে দায়িত্ব পালন কৰি অবিশ্বাস্য সফলতা লাভ কৰাৰ বিপৰীতে সেই সময়তে আনবোৰে সমভাৱে স্পষ্টকৈ পৰাজিত হৈছিল।

ভাৰত চৰকাৰ আইন ১৯৩৫ য়ে প্ৰাদেশিক স্বায়ত্ত শাসনৰ প্ৰৱৰ্তন কৰিছিল আৰু ইয়ে স্থানীয় অনুষ্ঠানৰ বিকাশত উৎসাহ যোগাইছিল। এই আইনে প্ৰদেশত দ্বৈত শাসনৰ ঠাইত প্ৰাদেশিক স্বায়ত্ত শাসনৰ ব্যৱস্থা কৰিছিল। বিভিন্ন প্ৰাদেশিক চৰকাৰে স্থানীয় চৰকাৰী অনুষ্ঠানৰ কাম-কাজ চোৱা-চিতা কৰাৰ বাবে অনুসন্ধান কমিটী গঠন কৰিছিল। এই কমিটীবোৰে অধিকাৰ হ্ৰাস কৰি আৰু মনোনীত কৰা



পদ্ধতি বাতিল কৰি স্থানীয় চৰকাৰী অনুষ্ঠানবোৰ গণতান্ত্ৰিক কৰাৰ বাবে নিৰ্দিষ্ট পৰামৰ্শ আগবঢ়াইছিল। এইখন আইনে শাসন ক্ষমতা বা কাৰ্যনিৰ্বাহক কামবোৰৰ (Executive Functions) পৰা স্থিৰ কামবোৰৰ (Deliberate Functions) পৃথকীকৰণত অনুমোদন জনাইছিল। জনপ্ৰিয় মন্ত্ৰীসকলে বিত্ত বিষয় নিয়ন্ত্ৰণ কৰিছিল আৰু স্থানীয় নিকায়বোৰৰ উন্নতিৰ বাবে প্ৰয়োজনীয় পুঁজি উলিয়াই দিছিল। প্ৰদেশ আৰু স্থানীয় ৰাজহৰ মাজত থকা কৰ প্ৰৱৰ্তনৰ ভেদাভেদ নাইকিয়া কৰা হৈছিল। বাস্তৱিকতে স্থানীয় নিকায়বোৰলৈ অধিক কাৰ্য ক্ষমতা দিয়াৰ বাবে প্ৰতিখন প্ৰদেশতে নতুন আইন প্ৰৱৰ্তন কৰা হৈছিল। দ্বিতীয় মহাযুদ্ধৰ আবিৰ্ভাৱৰ বাবে আৰু ভাৰতীয় ৰাজনীতিত সংকট সৃষ্টি হোৱা বাবে প্ৰদেশৰ জনপ্ৰিয় মন্ত্ৰীসকলে পদত্যাগ কৰিবলগীয়া হৈছিল। তেতিয়া গভৰ্ণৰসকলে ১৯৩৫ চনৰ আইনৰ ৯৩ দফাৰ অধীনত প্ৰদেশবোৰ পৰিচালনা কৰিছিল আৰু ইয়াৰ লগে লগে ভাৰতৰ স্থানীয় শাসনৰ বিকাশত স্থবিৰতা আহি পৰিছিল। এইখন আইনে স্থানীয় নিকায়বোৰৰ অৰ্থনৈতিক স্বাধীনতাত বাধা প্ৰদান কৰিছিল। ১৯১৯ চনৰ আইনৰ যোগেদি কিছুমান নিৰ্দিষ্ট কৰ 'সংৰক্ষিত' কৰা হৈছিল যদিও ১৯৩৫ চনৰ আইনে এই ব্যৱস্থা বাতিল কৰিছিল। ১৯৩৫ চনৰ পিছত স্থানীয় নিকায়বোৰ কৰ প্ৰৱৰ্তনৰ ক্ষেত্ৰত প্ৰাদেশিক চৰকাৰৰ অধীন হৈ পৰিছিল।

### V. সামৰিক বাহিনীত পৰিৱৰ্তন (Changes in the Army) ঃ

চিপাহী বিদ্ৰোহৰ সময়লৈ আৰু আনকি তাৰ বহুদিন পিছলৈ বেঙ্গল, বোম্বে আৰু মাদ্ৰাজ প্ৰেচিডেন্সিয়ে পৃথক পৃথক সেনাধ্যক্ষৰ নেতৃত্বত পৃথক বাহিনী ৰাখিছিল। যদিও বেঙ্গল বাহিনীৰ মুখ্য সেনাধ্যক্ষজনেই ভাৰতীয় সামৰিক বাহিনীৰ নামমাত্ৰ মুৰব্বী আছিল, বোম্বে আৰু মাদ্ৰাজ চৰকাৰে নিজাকৈ সামৰিক বাহিনী পৰিচালনা কৰিছিল। প্ৰধানকৈ সামৰিক লোকসকলক স্থানীয়ভাৱে মকৰল কৰিছিল। ১৮৯৩ চনত প্ৰণয়ন কৰা এখন আইনৰ দ্বাৰা (১৮৯৫ চনত কাৰ্যকৰী কৰা) ভাৰতৰ সমগ্ৰ সৈন্যবাহিনী সামৰিক সেনাধ্যক্ষৰ একক অধীনত ৰখা হৈছিল আৰু চাৰিটা আঞ্চলিক ভাগত ভাগ কৰিছিল— সেই ভাগ চাৰিটা আছিল বেঙ্গল,

মাদ্ৰাজ, বোম্বে, আৰু পঞ্জাব। ইয়াৰে প্ৰতিখনক এজন লেফটেনেণ্ট জেনেৰেলৰ অধীনত অৰ্পণ কৰা হৈছিল। ১৯০৪ চনত লৰ্ড কিট্‌ছনাৰে বিভিন্ন নীতিৰ আধাৰত এটা নতুন সংগঠন কৰিছিল। ভাৰতীয় সামৰিক শক্তিক তিনিটা সামৰিক ক্ষেত্ৰ আৰু নটা শাখাত সংগঠিত কৰা হৈছিল। এনে পদ্ধতিৰ সুবিধা আছিল যে ই শান্তিৰ সময়ৰ দৰে যুদ্ধৰ সময়তো সংগঠনটোক একে তুল্যৰ (সমশ্ৰেণীৰ) কৰিছিল। আনহাতে একেজন সেনাপতিয়ে শান্তি আৰু যুদ্ধ উভয় সময়তে একে শাখাৰ দায়িত্বত আছিল।

প্ৰতিখন প্ৰেচিডেন্সিৰ সামৰিক বাহিনী আৰম্ভণিতে তিনিটা গোটত গঠিত আছিল। (১) স্থানীয়ভাৱে সংগঠিত ভাৰতীয় বাহিনী (২) কোম্পানীৰ ইউৰোপীয়ান বাহিনী আৰু (৩) ৰাজকীয় বাহিনী। ১৮৫৮ চনৰ পিছত শেষৰ দুয়োটা বাহিনীক একেলগ কৰা হৈছিল। কিন্তু এই কাৰ্যই কোম্পানীৰ সৈনিক সকলৰ মাজত অসন্তোষৰ ভাৱ বৃদ্ধি কৰিছিল আৰু প্ৰায় ১০,০০০ সামৰিক লোকে তেওঁলোকক মুক্ত কৰাৰ বাবে দাবী উত্থাপন কৰিছিল। সামৰিক বাহিনীৰ এনে অসন্তোষকে 'শ্বেত বিদ্ৰোহ' (White Mutiny) নামে জনা যায়। লৰ্ড কেনিঙে বগা বা শ্বেত বিদ্ৰোহীসকলক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰিছিল। বগা বিদ্ৰোহীসকলে জোৰ দিছিল যে তেওঁলোকক নতুনকৈ পুৰস্কৃত বা দান অনুমোদন দিব লাগিব নহ'লে চাকৰিৰ পৰা অব্যাহতি দিব লাগিব। নতুন পুৰস্কাৰ আৰু আন ৰেহাই ব্যৱস্থাৰে অসন্তুষ্ট সৈনিকসকলক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰা হৈছিল। আনহাতে কেনিঙে ইচ্ছা প্ৰকাশ কৰা সকলক বৰ্খাস্ত কৰিছিল। ইয়াৰ ফলস্বৰূপে ইউৰোপীয়ান সৈনিকৰ সংখ্যা ১০,০০০ লৈ হ্ৰাস পাইছিল।

কেনিঙে ইউৰোপীয়ান বাহিনীৰ সৈন্যৰ সংখ্যা ৪০,০০০ ৰ পৰা ৬৫,০০০ লৈ বৃদ্ধি কৰিছিল। একেদৰে ভাৰতীয় বাহিনীৰ সৈন্যৰ সংখ্যা ২১৫,০০০ ৰ পৰা ১৪০,০০০ লৈ হ্ৰাস কৰিছিল। সামৰিক ক্ষেত্ৰৰ আৰু গোলন্দাজ বাহিনী সকলো গুৰুত্বপূৰ্ণ স্থানত ইউৰোপীয়ান লোকক বহুৱা হৈছিল। সকলো গুৰুত্বপূৰ্ণ পদ ইউৰোপীয়ান লোকক অৰ্পণ কৰাৰ লগে লগে সামৰিক বাজেট বৃদ্ধি কৰিবলগীয়া



হৈছিল, কিয়নো ইউৰোপীয়ান উচ্চ বিষয়া বা অফিচাৰ সকলক ভাৰতীয় সকলতকৈ চাৰিগুণ বেছি দৰমহা দিয়া হৈছিল।

ভাৰতীয় বাহিনী গঠনৰ ক্ষেত্ৰতো বহুতো পৰিৱৰ্তন সাধন কৰা হৈছিল বিশেষকৈ উত্তৰ ভাৰতৰ ক্ষেত্ৰত। আগতে এই চিপাহীসকলক একে অঞ্চলৰ পৰা বিশেষকৈ উচ্চ জাতিৰ পৰা মকৰল কৰা হৈছিল। চিপাহী বিদ্ৰোহে এই অঞ্চলৰ সামৰিক বাহিনীৰ ক্ষেত্ৰত থকা ত্ৰুটিবোৰ প্ৰকাশ কৰিছিল। তেতিয়াৰ পৰা সংমিশ্ৰিতভাৱে নিয়োগ ব্যৱস্থা কৰা হৈছিল, যাতে সকলো জাতি, বৰ্ণ আদিৰ লোকক অন্তৰ্ভুক্ত কৰিব পাৰি আৰু তেওঁলোকৰ মাজত যাতে সহজে একতা গঢ়ি উঠিব নোৱাৰে আৰু বিদ্ৰোহ কৰিব নোৱাৰে। ভাৰতীয়সকল সামৰিক (Martial) আৰু অসামৰিক (Non-Martial) শ্ৰেণীৰে গঠিত বুলি এটা বিভাজন সৃষ্টি কৰা হৈছিল। অযোধ্যা, বিহাৰ, মধ্য ভাৰত আৰু দক্ষিণ ভাৰতৰ সৈনিকসকলক যিসকলে ভাৰত বিজয়ত বৃটিছক সহায় কৰিছিল। কিন্তু পিছত ১৮৫৭ চনৰ বিদ্ৰোহত অংশ গ্ৰহণ কৰিছিল, সেইসকলক অসামৰিক শ্ৰেণী বুলি ঘোষণা কৰিছিল। আনহাতে পঞ্জাবী, গোৰ্খা আৰু পাঠান আদি যিসকলে বিদ্ৰোহ দমনত বৃটিছক সহায় কৰিছিল তেওঁলোকক সামৰিক শ্ৰেণী বুলি ঘোষণা কৰা হৈছিল আৰু তেওঁলোকক বৃহৎ পৰিসৰত নিয়োগ কৰা হৈছিল।

এনেদৰে ভাৰতীয় বাহিনী নিশ্চিতভাৱে এটা বেতনভোগী বাহিনী হিচাবে কাম কৰিছিল। ইয়াৰ উপৰিও, ইয়াক সমাজৰ আন জনসাধাৰণৰ চিন্তা আৰু জীৱনধাৰণৰ পৰা সম্পূৰ্ণ পৃথক কৰি ৰাখিবৰ বাবে সকলো প্ৰচেষ্টা ৰখা হৈছিল। যিকোনো প্ৰকাৰে ইয়াক জাতীয়তাবাদী ভাবধাৰাৰ পৰা আঁতৰত ৰখা হৈছিল। বাতৰি কাকত, আলোচনী আৰু জাতীয়তাবাদী প্ৰকাশনে সৈনিকসকলক ঢুকি পোৱাৰ পৰা বাধা দিয়া হৈছিল। কিন্তু অৱশেষত বৃটিছৰ এনে সকলো প্ৰচেষ্টা বিফল হৈছিল আৰু ভাৰতীয় বাহিনীৰ শাখাবোৰে ভাৰতৰ স্বাধীনতা আন্দোলনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

ভাৰতীয় বাহিনী সময়ত এটা অতি খৰচী বা ব্যয়বহুল সামৰিক যন্ত্ৰত পৰিণত হৈছিল। ১৯০৪ চনত ই ভাৰতীয় ৰাজহৰ ৫২ শতাংশ খৰচ কৰিছিল। ভাৰত সেই

সময়ত অতি মূল্যৱান ঔপনিবেশিক ঠাই হোৱা বাবে সাম্ৰাজ্যবাদী প্ৰতিদ্বন্দ্বী গোট ৰাছিয়া, ফ্ৰান্স আৰু জাৰ্মানীৰ পৰা নিজকে ৰক্ষা কৰিব লাগিছিল। ইয়াৰ বাবে ভাৰতীয় বাহিনীৰ কলেবৰ বা শক্তি বৃদ্ধি কৰিব লাগিছিল। আনহাতে ভাৰতীয় বাহিনী কেৱল ভাৰতৰ প্ৰতিৰক্ষাৰ বাবে গঠন হোৱা নাছিল। ভাৰতীয় বাহিনী বৃটিছ শক্তিৰ সম্প্ৰসাৰণ আৰু সুদৃঢ়কৰণৰ উপৰিও এছিয়া আৰু আফ্ৰিকাত আধিপত্য প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰতো প্ৰধান আহিলা আছিল। সামৰিক বাহিনীত থকা বৃটিছ শাখাটো দখলৰ কামত নিয়োগ কৰিছিল। এই বাহিনীৰ খৰচো ভাৰতীয় ৰাজহৰ পৰা কৰা হৈছিল।

❖❖❖❖